ইতিহাস বিভাগ
ছয়দুৱাৰ মহাবিদ্যালয়

# ইতিহাস

Vol-VII-VIII Year- 2020-21



Chaiduar College Historical Society

# ইতিহাস

Vol-VII-VIII

YEAR - 2020-21

ইতিহাস বিভাগ
ছয়দুৱাৰ
মহাবিদ্যালয়

Chaiduare College Historical Society

ITIHAS: An Annual publication containing various information regarding Chaiduar College Historical Society and Department of History. Articles on history and history related topics contributed by teachers and students of history department of Chaiduar College is published by Chaiduar College Historical Society, Gohpur, Assam.

Year of Publication: 2020-21
Copy Right: Chaiduar College Historical Society.

Editorial Board:
Advisor : Dr. Ranjit kaman.
President : Dr. Indra B. Newar.
Vice President: Asish Sarma.
Treasurer : Dr. Swapna Sakati, Associate Prof. H.O.D.
Secretary : Debabrot Phukan.
Astt Secretary: Sharananda Misra
Executive Members: Sarina Gogoi, Pranjana Mahanta, Manisha Devi, Karishma Sakia, Dipon Hazarika.
Members : All major students of History Dprtmnt.
Contact Address: Chaiduar College Historical Society
Price : Rs 20
Printing : J.S. Computer Solution, Gohpur, Ph: 9613387266
(A)

# Chaiduar College History Department at a Glance

* Date of Establishment : 1967
* Date of Introducing Major : 1997
* Present Teaching Staff : Dr. Swapna kakati. H-O-D.
  Dr. Ranjit kaman.
  Dr. Indra Bahadur Newar.
  Sri Asish Sarma.
* Retired Teachers : Mr. R.N. kakati, Mr. B.C. Goswami
* Student Strength : SEM I-30, SEM III-27, SEM V-20
* UGC Sponsored National Seminer : 01.
* Achievement of Students : (i) 1st Class Holders - 80
  (ii) Our Students qualifying NET - 02
  (Ripun Doley, Tridib Nayan Basistha
  (iii) Our Student completed M.Phil - 01
  (Ajit konwar)
  (iv) Our Student completed Ph.D - 02
  (Ajit konwar, Ripun Doley)
  (v) Our Student Qualifying SLAT - 01
  (Anmona Goswami)

(B)

# OUR GLORIES

1. RESULTS : 1 st class Holders

a. 2009 : Tridib Nayan Basistha. (11th Position)

b. 2012 : Tridib Jyoti Chaliha (4th position)
: Pankaj kardong (7th position)

c. 2013 : Mouchumi Acharya

d. 2014 : Subhash Adhikari, Himakshi Gogoi,
Dibya Hazarika, Mira kumari,
Joy Prakash Doley, Rupshikha Hazarika,
Tilak Pegu, Pompy Saikia,
Jyotimala Goswami.

e. 2015 : kabyashree Hazarika (Best Graduate)
Syamal Saikia, Prabin Adhikari,
Pinku Saikia, Dhanpur Doley,
Pallabi Pegu, Dipen kaman,
Medhiram Pegu.

f. 2016 : karishma Hazarika

g. 2017 : Sumi Mudoi, Bijoy Doley,
Rimjim Neog, Lakhya Jyoti Gogoi,
Sanghamitra Deuri, Girish kutum,
Binita Patiri, Biswajyoti Sharmah

h. 2018 : Jimly Saikia, Dipjyoti Pegu,
Abish Sarma, Haripriya kataki
Nilutpal Saikia, Jubin Ahikari
Abhijit Tripathi, Dhanmoni Das, kabita Chetry

(C)

i. 2019 : Debasish kataki, Madan kutum, Marryshine Duwarah, Santana Borah, Murchana Hazarika, Lipi Borah, Suman Upadhyaya, Pabitra Patirei, Surajit Pegu, Nipen Das, Subrata Boruah, Gebraj Pegu.

J. 2020 : Rashmi Rekha Gogoi, Abijit Borah, kalyan Hazarika, Sudarsana Sharma, Diganta Pegu, Mainu Boruah, Mowshumi Borah, Usha Pegu, Monpalashimala Rajkhowa, Utpal Borah, kankan Pratim Saikia, Dipshikha Handique.

K. 2021 : Mriganka Borah, Dipika Bhuyan, Parijat kath Hazarika, Bhargab Boruah, Chanjumoni Borah, Bandana Chetry,. kankana Borah, Bhagyashree Borah, Menoka Devi, Jeni Boruah, Jorna Saikia, Runjun Gogoi, Rajib Mili, Hritika Yadav, Simran Newar, Pallabi Pegu, Anupama Pegu. Joyshree Gogoi Rupkomasare Patgiri, Sushmita Doley. Suresh Taid.

(D)

## 2. Position Holders in Students' Union:

* Ranjan Hazarika, Vice President, 1999-2000.
* Raju Sarmah, Secy, Boys Common Room, 1999-2000.
* Pranjal Baruah, General Secretary, 2002-2003.
* Dipali Gogoi, Magazine Secretary, 2002-2003.
* Bani kanta Pegu, Asst. General Secretary, 2006-2007.
* Tridib Nayan Basistha, Magazine Secretary, 2007-2008.
* Chakrapani Parasar, General Secretary, 2008-2009.
* Sanjib Borah, Secy, Boys Common Room, 2009-2010.
* Ramu Patgiri, General Secretary, 2013-2014.
* Samiran Mili, Asst General Secretary, 2013-2014.
* Samiran Mili, Vice president, 2014-2015.
* Biswajyoti Sarmah, Literary & Debating Secy, 2014-2015.
* Asish Sarmah, Magazine Secretary. 2016-2017.
* Madan kutum, Asst General Secy, 2017-2018.
* Abhijit Borah, Magazine Secy. 2017-2018.
* Pabitra Patgiri 1st president of CDC Students Union, 2018-19
* Sudarshana Sarmah, Literary & Debating Secy, 2018-2019.
* Niran kaman, Outdoor Games Secy. 2018-19.
* Rajib Mili, Magazine Secy. 2019-21.
* Dipon Saikia, Literary & Debating Secy, 2019-21.
* Debabrat Phukon, Vice President. 2021-22.

## Our Departmental Activities:

* Historical Quiz Competetion.
* Historical Debate Competetion.
* State Level Seminar.
* National Level Seminar (UGC Sponsored)
* Educational tour to Sibsagar.
* Educational tour to kazirianga National Park.
* Educational tour to Dhekiakhowa Namghar, Jorhat.
* Educational tour to Majuli.
* Educational tour to Historic Town Tezpur.
* Educational tour to Biswanath Ghat.
* Departmental Picnic in every year.
* Departmental Freshman Social in every year.
* Departmental Farewell in every year.
* Our Students Observed Teachers Day in every year.
* Student Seminar.
* Student Project.
* Publication of "Itihas" by CDC Historical Society.
* Educational Tour to KOLKATA (January, 2015) & Some important site visited by the students of Hist. Department under the Guidance of Dr. Ranjit kaman, Dr. Swapna kakati & Dr. Mohini Mohan Borah (Zoology Dpmt.
* Educational tour to Gupteswar temple, Singari, Da-Parbatiya, Bamuni Pahar, Bhairabi temple, Mahabhairab temple, Agnigarh on 2018.

(F)

* Guardian Meet.
* Alumni Meet.
* Audio- Vitual Documandation of History Department.

# EMPLOYMENT

* Tridib Nayan Basistha - I.B.
* Harshabardhan Baruah - A.C.S
* Ajit konwar - Asst Professor
* Ripun Doley - Asst. Prof.
* Raju Dhugana - Advocate
* Abhijit Phukon - Advocate
* Bhaskar Hazarika - Advocate.
* Peter Muchahari - Indian Army
* Junmoni Borah - Advocate
* Deepak Sarmah - Advocate
* Pankaj Borah - Advocate.
* Sarat Baruah - Advocate
* Nabajyoti Borah - Advocate
* Jana Congress Doley - Teacher
* Amin Patgiri - Teacher
* Sidanda Pegu - Teacher
* Barman Muchahari - Indian Army.
* Banikanta Pegu - S.I ( Assam Police)
* Montu Pegu - Teacher
* Punam Devi - Teacher
* Chakrapani Parasar - T.V Anchor (NEWS 18)
* Sanjib Sarmah - Teacher
* Momi Pegu - Teacher
* Hemanta Dahal - Teacher
* Pankaj kardong - office Asst.

* Nirju Patgiri - Indian Army
* Mouchumi Acharya - Lecturer
* Jyotimala Goswami - Astt Professor.
* Jayprakash Doley - Teacher.
* Susmita Sarmah - T.V. Anchor.
* Mukunda Giri - Indian Army.
* Bikash Sharmah - Subject Teacher.
* Anju Lahan - Teacher
* Tridib Jyoti Chaliha - Teacher.
* kabyashree Hazarika - Astt. Prof.
* Lakhyajyoti Gogoi - Forest Service
* Sumi Mudoi - Astt. Prof.
* Dipen kaman - Astt. Prof.
* Mira kumari Sahu - Teacher
* Jubin Adhikari - Indian Army.
* Pallabi Pegu - Teacher.
* Debasish kataki - Bank
* Haripriya kataki - Para Military
* Anmona Goswami - Astt Prof..
* Asish Sara - Astt Prof.

(I)

# সূচীপত্ৰ

ইতিহাস বিভাগ
ছয়দুৱাৰ মহাবিদ্যালয়


- নাৰায়ণপুৰৰ গোৰাবিল বিলতীয়াৰ মৈদাম - নীলোৎপল হাজৰীকা
- আহোমৰ মৈদাম - জৰ্ণা শইকীয়া
- Alexander Cunningham (India's first Archaeologist - Julika Saikia
- Nag Sankar Temple - Mriganka Hazarika
- নগা শান্তি চুক্তি - দ্বীপন হাজৰিকা
- মালিনী থান - ৰুণজুন গগৈ
- মাঘনোৱা দৌল (অসমৰ মন্দিৰ তথা পুৰাতাত্ত্বিক স্থান) - প্ৰিয়ানসী সাহা
- সোণোৱাল কছাৰী সাজপাৰ আৰু খাদ্যাভাস - কৰিণা গগৈ
- বুৰঞ্জীয়ে আমাক কি শিকায় - চিৰস্মিতা দিহিঙীয়া
- অসমৰ চাহৰ ইতিবৃত্ত - বিকিৰণ শইকীয়া
- ঐতিহ্যমণ্ডিত বৰ্দ্ধি দৌলৰ চমু ইতিহাস - কৰিশ্মা শইকীয়া
- গহপুৰৰ বৰপুখুৰী - লিজা বৰা
- The Revolt of 1857 - Rahul kr. Basumatary
- অসমৰ চিত্ৰকলা - আদিত্য পাটগিৰি
- শ্ৰী শ্ৰী ফুলেশ্বৰী আইথানৰ চমু আভাস - দেৱৰাজ পেগু
- চৰাইবাহী ইতিবৃত্ত - জ্যোতি পেগু
- লক্ষীমপুৰৰ দণ্ডিবিলৰ ইতিবৃত্ত - সুস্মিতা তন্ম
- বাকৰী দলনী (আমাৰ গাঁও) - প্ৰেমানন্দ মিশ্ৰ
- Role of women in the Mising Society - Sayanika Doley
- মহৰ্ষি সুশ্ৰুত: চিকিৎসা বিজ্ঞানৰ আদি পুৰুষ - দেৱ বৰাল
- Bhagat Singh - Pinku Pegu

# নাৰায়ণপুৰৰ পোৰাবিল বিলতীয়াৰ মৈদাম

শ্ৰী নীলোৎপল হাজৰিকা
স্নাতক তৃতীয় ষাণ্মাসিক
ইতিহাস বিভাগ

মৈদাম হ'ল আহোম জনগোষ্ঠীৰ লোকৰ পৰম্পৰাগত মৃতদেহ সংস্কাৰ প্ৰথা। মৈদামৰ অৰ্থ হ'ল মাটিৰ দ'ম, সমাধি। আহোম ৰাজপৰিয়ালৰ লোক আৰু বিষয়া সকলক মৈদাম প্ৰথাৰে সমাধিস্থ কৰা হৈছিল। মৈদাম সমূহ ইজিপ্তৰ ফাৰাও সকলৰ পিৰামিদৰ লগত তুলনা কৰিব পাৰি।

অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগে চৰাইদেউত সংৰক্ষিত কৰি ৰখা মৈদাম সমূহৰ বিপৰীতে অসমৰ ভিন্ন স্থানত আহোম সকলৰ ছশ বছৰীয়া শাসন কালৰ কেইবাগৰাকী স্বৰ্গদেউ আৰু বহু ৰাজ বিষয়াৰ মৈদাম অসংৰক্ষিত হৈ আছে আৰু বহুতো মৈদামৰ অস্তিত্ব শেষ হৈছে। তেনে এক মৈদাম হ'ল লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পোৰাবিল বিলতীয়া গাঁৱত ২০২০ বৰ্ষৰ ২৮ জুলাইত উদ্ধাৰ হোৱা আহোম যুগৰ মৈদাম। মৈদামটোৰ উচ্চতা হ'ল ২৫ ফুট।

বীৰ লাচিত সেনা সংগঠনটোৰ আমন্ত্ৰণত উক্ত স্থানত ইতিহাসবিদ আৰু পুৰাতত্ত্ব বিভাগৰ বিষয়া উপস্থিত হৈ টিল (মৈদাম) খনন কৰি সেই সময়ত মাটিৰে নিৰ্মিত ভেটাজৰা, আহোম যুগৰ ইটাৰ গাঁথনিৰ ভগ্নাংশ, হাতীখুজিয়া কাঁহৰ বাটি, কড়িগুটি, ৰূপৰ মুদ্ৰা উদ্ধাৰ কৰে। পুৰাতাত্ত্বিক সকলে মৈদামটোত পোৱা সমল সমূহ অধ্যয়ন কৰি আহোম ৰাজবিষয়াৰ মৈদাম বুলি নিশ্চিত হৈছে। কিন্তু কোনগৰাকী আহোম বিষয়াৰ মৈদাম আৰু কেতিয়া নিৰ্মাণ কৰিছিল সেই তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই।

সময়ৰ সোঁতত হেৰাই যোৱা মৈদামৰ প্ৰকৃত সময়, নাম আদিৰ সঠিক তথ্য উদ্ধাৰ নহ'লেও, অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগে বিলতীয়াৰ মৈদামক স্বীকৃতি দিছে আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

# আহোমৰ মৈদাম

Name: Barna Saikia
Sem: 5th Sem

আমাৰ পূৰ্বপুৰুষসকলে আমালৈ এৰি থৈ যোৱা বস্তুগত ঐতিহ্যসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল - আহোমৰ মৈদাম। মৈদাম হৈছে আহোম জনগোষ্ঠীৰ লোকৰ পৰম্পৰাগত মৃতদেহ সংস্কাৰ প্ৰথা। মৈদাম প্ৰথাৰে সৎকাৰ কৰা মৃতকৰ সমাধিক মৈদাম বোলে। আহোম ৰাজপৰিয়ালৰ লোক আৰু বিষয়ববীয়াসকলে মৈদাম প্ৰথাৰে সমাধিস্থ কৰা হৈছিল। আহোমসকলৰ এক বিশেষ স্থাপত্য শিল্প হ'ল মৈদাম। আহোমসকলৰ মৃতকৰ শৱদেহটো 'ৰুং-ডাং' নামৰ উৰিয়াম গছৰ কাঠেৰে নিৰ্মিত পেৰা বা কফিন এটাৰ ভিতৰত থৈ পেৰাটো অনেক নীতি-নিয়মৰ মাজেৰে মাটিত পাতি আদি প্ৰাত ওপৰত মাটিৰে ওখকৈ অৰ্দ্ধ-গোলাকাৰ ভেঁটি বা ঢিপ তৈয়াৰ কৰা হৈছিল।

আহোমসকলৰ মৈদাম দিয়া পদ্ধতি বেলেগ বেলেগ আছিল। উদাহৰণস্বৰূপে ৰজাৰ শৱদেহটো ৰুং-ডাংৰ ভিতৰত ভৰাই যি ঠাইত ৰুং-ডাং পোতা হ'ব সেই ঠাইলৈ অনা হয়। সেই ঠাইত শাল কাঠৰ তক্তাৰে এটা ঘৰ সাজে তাক 'কাৰেং ৰুং-ডাং' বোলে। এটাৰ ব্যৱহাৰ কৰিবলৈ লোৱাৰ পিছত এই ঘৰটো ইটাৰে নিৰ্মাণ কৰা হৈছিল। এই ঠাইতে ৰুং-ডাংৰ পৰা শৱদেহটো উলিয়াই আনচা নীতি-নিয়মৰ মাজেদি স্নান কৰাই, নতুন বস্ত্ৰ অলংকাৰ পিন্ধাই 'কাৰেং ৰুং-ডাং'ৰ ভিতৰত সজাই থোৱা এখন খাটৰ ওপৰত শৱদেহটো পূবৰ পিনে মূৰ আৰু পশ্চিমৰ পিনে ভৰি কৰি শুৱাই ৰাখে। হিতেশ্বৰ বৰবৰুৱাৰ 'আহোমৰ দিন'ত আছে 'ৰজাৰ শৱটো শুৱাই থোৱা খাটখনিটোৰ ওপৰত সাত খাপলগীয়া সোণৰ নৰে দিয়া চাংপটি চন্দ্ৰাতাপ, মাটিত সোণৰ দাপোন খটা চাংদোলা, তাৰ চাৰিও দুকে সোণেৰে বন্ধোৱা চাৰিটা খুঁটি, তাতে সোণোৱালী বনকৰা ফুলিকটা আঁচলা তৰা হয়। চাংদোলা বা খাটৰ-

উচৰতে সোণৰ ছুৰিৰে, ফাঁকত খীৰা আৰু ঢেলিকা। আদিৰে ৰাজ্যৰ পতোৱা মৈদাম, মৰ্কলৰ উচৰত, সোণৰ ছুৰিৰে ভাৰেৰে কটাৰী আৰু ৰূপৰ তামোল-পাণ থোৱা হয়, কাষতে চাৰি-পাঁচখন সোণ সৰ্টোৱা ৰূপৰ শৰাই, তাৰে উচৰত এখনৰ ওপৰত সোণৰ ৰাজ্যবাটী বটা, ৰাজ্যবাটী সোণৰ ঢুলৰ টেকি আৰু সোণৰ ধপাত খোৱা চেঙা। এখন শৰাইত সোণৰ খোলাপৰা, এখনত ৰাজ-অলংকাৰ আৰু সোণ-ধনৰ পেৰা আদিও উচৰতে থয়। ছবি পাথানৰ ফালে সোণেৰে বন্ধোৱা খোঁৱাখোৱা, তাৰ ওপৰত ৰূপৰ আঁঠাসঅৱা জিলিমি আৰু সোণৰ বনকৰা নলী। এইদৰে ৰজাৰ ব্যৱহাৰৰ বস্তুবিলাক মৈদামত সজাই থৈ “কাৰেং-ৰংঘৰ-ঘৰ”ৰ দুৱাৰখন জপাই দিয়ে। তেতিয়া তাৰ ওপৰত ওখকৈ মাটি দি মৈদাম বন্ধা হয়। তদুপৰি ডাঙৰীয়াসকল ৰজাৰ মৈদামৰ বাহিৰে ওপৰভাগলৈ আৰু সন্মুখলৈ ইটাৰ পাঁচনি আৰু ঢুপ আছিল। অনেকে ৰজা-ৰাণী আৰু ৰাজপৰিয়ালৰ লোকৰ লগত জীৱিত লোকক জীয়াই থাকোতে ব্যৱহাৰ কৰা সোণ-ৰূপৰ বাচন-বৰ্তন, পোচাক-বস্ত্ৰ, কাপোৰ-কানি, সোণৰ-ৰূপৰ গহনা, তিনিদিনা-তিতিমিৰী ইত্যাদি মৈদামৰ ভিতৰত দিয়া হৈছিল বুলি জনা যায়।

আহোম স্বৰ্গদেউসকলে হিন্দুধৰ্ম গ্ৰহণ কৰা পাছত বিশেষকৈ স্বৰ্গদেউ লক্ষ্মীসিংহৰ দিনৰ পৰা মৃত ৰজাৰ শৱ দাহ কৰি ছাইখিনি চৰাইদেউ পৰ্বতত পোতাই মৈদাম দিয়াই হিন্দু নিয়মেৰে শ্ৰাদ্ধ কৰা নিয়ম প্ৰচলিত হয়।

আহোমৰ প্ৰথম স্থায়ী ৰাজধানী চৰাইদেউত ৰয়কেইগৰাকী ৰজা-ৰাণীৰ মৈদাম দিয়া হৈছিল। মৈদামসমূহ চোৱা-চিতা কৰিবৰ বাবে আহোম ৰাজ্যত ‘মৈদামীয়া’ নামৰ খেল এটা আছিল। মৈদামত থকা মূল্যৱান লগতে দিয়া সোণ-ৰূপ আদিৰ বাবে, চোৰ, আক্ৰমণকাৰী আদিয়ে বলে-ছলে মৈদামত লুটপাত কৰিছিল। ঐতিহাসিক তথ্যসমূহৰ তালিকাৰ বিৱৰণ মতে মিৰজুমলাই চৰাইদেউত মৈদাম খান্দি প্ৰায় ৯০ হাজাৰ টকা মূল্যৰ ধন-সোণ লুটি নিছিল। আৰ্কচৰ জনকশ্যাৰে ৮০ বছৰৰ আগতে মৈদাম দিয়া এগৰাকী ৰাণীৰ

মৈদামত পোৱা এটা সোণৰ তামোল-পাণৰ টেমাৰ ভিতৰত থকা পাণখিলা তেতিয়াও কেঁচা হৈয়ে আছিল।

চৰাইদেৱেই আছিল আহোমৰ ৰজা ৰাণীসকলৰ প্ৰধান মৈদাম স্থলী। ইয়াতেই আছিল আহোমৰ পূজা-পাতলৰ প্ৰধান দেওশাল। তদুপৰি অসমৰ বিভিন্ন ঠাইত এতিয়াও প্ৰায় অসমত সৰগ্ৰাত অনেক মৈদাম দেখিবলৈ পোৱা যায়। মৈদাম দিয়াৰ পৰম্পৰা আহোমসকলৰ বহুতে অজিও জীয়াই ৰাখিছে।

মৈদামত পোৱা এটা সোণৰ তামোল-পাণৰ টেমাৰ ভিতৰত থকা পাণখিলা তেতিয়াও কেঁচা হৈয়ে আছিল।

চৰাইদেৱেই আছিল আহোমৰ ৰজা ৰাণীসকলৰ প্ৰধান মৈদাম থলী। ইয়াতেই আছিল আহোমৰ পূজা-পাতলৰ প্ৰধান দেওশাল। এইদৰে অসমৰ বিভিন্ন ঠাইত এতিয়াও প্ৰায় অক্ষত অৱস্থাত অনেক মৈদাম দেখিবলৈ পোৱা যায়। মৈদাম দিয়াৰ পৰম্পৰা আহোমসকলৰ বহুতে আজিও জীয়াই ৰাখিছে।

# Alexander Cunningham: India's first Archeologist:

Alexander Cunningham was a India's first professional archaeologist. He became the first director General of the Archaeological Survey of Indian in 1871. This volume contains a collection of 193 letters he wrote between 1871 and 1888 to his Archaeological Assistant, J.D.M. Beglar. He excavated many sites in India, including Sarnath and Sanchi and served as the first director of Indian Archaeological Survey. He was born in 23rd January 1814. At age 19 he joined the Bengal Engineers and spent 28 years in the British Service in India, retiring as major general in 1861. Early in his career he met James Prinsep, a British Numismatist and Indian Scholar, who ignited his interest in Indian History and coins. In 1837 Cunningham excavated at Sarnath outside Varanasi (Benarse) one of the most sacred Buddhist Shrines, and carefully prepared drawings of the Sculpture. In 1850 he excavated Sanchi, site of some of the oldest surviving buildings in India. In addition to a study of the temple architecture of Kashmir (1848) and a work Ladakh (1854), he published the Bhilsa Topes (1854), the first serious attempt to trace Buddhist History through its architectural remains.

In 1861 he agreed to become director of

of the Indian Archaeological Survey and remained with it untill it was dissolved (1866). He resumed his post when the survey was restored (1870) and during the next 15 years carried out many archaeological explorations among the ruins of Northern India. He published the ancient Geography of India (1871), the first collection of the edicts of the 3rd-century-BC Indian Emperor 'Ashoka' and the stupa of Bharhut. Over the years he gathered a large collection of Indian coins, the choicest of which were purchased by the British Museum.

After his retirement from the survey (1885), he devoted himself to Indian Numismatics and wrote two books on the subject. He was knighted in 1887.


— Miss Tulika Saikia
- B.A C.B.C.S 5th Sem
History Department

# NagSankar Temple

Mriganka Hazarika
5th Semester

The Nagsankar Temple is a famous shrine dedicated to Lord Shiva. It is situated in Jamurighat near Sootea, in Sonitpur district of Assam.

There are several myths regarding the nagsankar Temple -

(a) According to one belief, the temple was built by a King called Nag Sankar from Lohitya dynasty in late 4th century A.D.

(b) According to another, this temple was built by King Nagamatta, another name of Powerful King of Assam, Arimatta

(c) When Shiva toured the Universe taking the body of Sati, the naval part fell in the naval Part fall in the Nag-Shankar Temple. At first Nari-shankar and later on Nag shankar.

The Nagshankar temple is one of the important centres of Shaivism in

Assam. This temple was repaired or renovated by Ahom king Susenpha (1480AD)

Shivratri is celebrated at a grant way in this temple. It is observed for two days with various programmes and about five thousand pilgrims assembled at the temple premises during this occassion. The Nag sankar temple consist of a large pond with more than 500 variety of soft-shell turtle.

The temple is managed by the Nag sankar Mandir's management committee formed by the People of Nag sankar. The Nag-sankar temple is well connected by road, railways etc.

Thus, we can say that Nag-shankar temple is an important historical and whic religious sites which attracts a large number of devotees and tourists.

## নগা শান্তি চুক্তি

২০১৫ চনৰ ৩ আগষ্টত প্ৰধানমন্ত্ৰীৰ বাসভৱনত নগা শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ লগে লগে নাগালেণ্ডত ছয় দশকজোৰা ৰক্তাক্ত সংগ্ৰামৰ একপ্ৰকাৰৰ অন্ত পৰিল বুলি কব পাৰি। এই চুক্তি স্বাক্ষৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰী, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা, এন এচ চি এন (আই এম) ৰ অধ্যক্ষ ইছাক চি চি স্বু আৰু সাধাৰণ সম্পাদক থুইং গালেং মুইভা উপস্থিত আছিল।

১৯৭৫ চনত সম্পন্ন হোৱা ঐতিহাসিক শ্বিলং চুক্তিৰ পাছত চয়োপাল্লৰ মাজত এই শান্তি চুক্তিখন সম্পন্ন হয়। যদিও পৰৱৰ্তী সময়ত এয়া বিফল হোৱাত ১৯৮০ চনত বৃহত্তৰ নাগালিম গঠনৰ দাবীৰে এন এচ চি এন (আই এম) গঠিত হৈছিল। ১৯৯৭ চনত সংগঠনটোৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ শান্তি আলোচনা হয় আৰু তেতিয়াৰে পৰা সংগঠনটোৱে যুদ্ধবিৰতি মানি আহিছিল। শান্তি চুক্তিখনত কি কি বিষয় সাঙুৰি লোৱা হৈছে সেই কথা এতিয়াও পোহৰলৈ অহা নাই যদিও কেন্দ্ৰীয় চৰকাৰৰ মতে ইয়াত নগাসকলৰ সা-সুবিধা, মৰ্যাদা আৰু

সংৰক্ষণৰ সুবিধা প্ৰদান কৰা হ'ব। অৱশ্যে এই ঐতিহাসিক শান্তি চুক্তিখনত নাগালিম গঠনৰ প্ৰস্তাৱ নাই বুলি কেন্দ্ৰই জোৰ প্ৰকাশ কৰে। ১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ড ৰাজ্য প্ৰতিষ্ঠা হোৱাৰ পাছৰে পৰা বিভিন্ন বিদ্ৰোহী সংগঠনে নিজা নিজা দাবীত ৰাজ্যখনত পৰিস্থিতি উত্তপ্ত কৰি আহিছে। এন এছ চি এন (আই এম) এই ক্ষেত্ৰত আগৰণুৱা আছিল। অৱশেষত স্বাধীন নাগালিম গঠনৰ দাবী এৰাই চলি শান্তি চুক্তিত স্বাক্ষৰ কৰে এন এছ চি এন (আই এম) – এ।

দ্বীপন হাজৰিকা

প্ৰথম ষাণ্মাসিক

# মালিনী থান

Name - Runjun Gogoi
Sem - 5th Sem

মালিনী থান এটি মন্দিৰৰ ধ্বংসাৱশেষ থকা এখনি পবিত্ৰ তীৰ্থ। এই তীৰ্থ অৰুণাচল প্ৰদেশৰ পশ্চিম চিয়াং জিলাত অৱস্থিত। মালিনী থান অসমৰ ধেমাজী জিলাৰ পৰা উত্তৰলৈ অৱস্থিত। আজিলৈকে কামাখ্যাৰ দৰেই এই থানখনিৰ মহত্ত্ব আছে। প্ৰতিবছৰে এই পবিত্ৰ তীৰ্থত অনেক পৰ্যটকে ভিৰ কৰা দেখা যায়। থানখনিৰ নামনিৰ ফুকলি অংগনত প্ৰতিবছৰে 'মালিনী মেলা' অনুষ্ঠিত হয় অসমীয়া চ'ত মাহত।

আখ্যানমতে বিদৰ্ভৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীক শ্ৰীকৃষ্ণই হৰণ কৰি লৈ যাওঁতে এই ঠাইতেই জিৰণি লৈছিল আৰু ইয়াতেই তেওঁলোকক শিৱ-পাৰ্বতীয়ে ফুলৰ মালাৰে আদৰণি জনোৱাত শ্ৰীকৃষ্ণই পাৰ্বতীক 'মালিনী' নাম দিছিল বাবে এই থানৰ নাম মালিনী থান হয়। অন্য এক কিংবদন্তিৰ মতে কামদেৱৰ শিৱক প্ৰেম ভিক্ষা কৰা অপৰাধত মালিনীয়ে শিৱ-পত্নী পাৰ্বতীৰ ৰোষত পৰি মস্তক নেহেৰুৱাব লগা হৈছিল বাবেই ঠাইডোখৰৰ নাম 'মালিনী থান' হয়। ঠাইডোখৰত এটা প্ৰাচীন শিৱলিংগ আৰু কাষতে এটি মস্তকহীন নাৰীমূৰ্তি থকাৰ বাবেই বোধ হয় এই কিংবদন্তিৰ সৃষ্টি।

মালিনী থানত প্ৰধানতঃ দেৱী দুৰ্গা আৰু শিৱৰ নামত

উপাসনা কৰা হয়। এই থান ১৩-১৪ শতিকাৰ মাজত - চুতিয়া ৰজাসকলে নিৰ্মাণ কৰা আৰু ইয়াৰ স্থাপত্য-ভাস্কৰ্য্য সমূহ আদ-আহোম যুগৰ বুলি অনুমান কৰা হৈছে। পুৰাতত্ত্ব বিভাগে খননি চলাই মন্দিৰটোৰ আশে-পাশে প্ৰাচীন কালৰ বহু আপৰূপীয়া ভাস্কৰ্য্য উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। খনন কাৰ্যৰ জৰিয়তে এই স্থানত আৱিষ্কৃত হৈছে শিল-মন্দিৰৰ ভগ্নাৱশেষৰ লগতে শিৱলিংগ, সিংহৰ মূৰ্তি, দঁতাল হাতীৰ ওপৰত ইন্দ্ৰমূৰ্তি, নিগনিৰ ওপৰত গণেশ আৰু ময়ূৰ বাহনৰ ওপৰত কাৰ্তিকৰ মূৰ্তি, ত্ৰিশূল আৰু কমণ্ডলুসহ যোগী মূৰ্তি, দুৰ্গা দেৱীৰ মূৰ্তি ইত্যাদি। এই শিলমূৰ্তিসমূহত শিল্পীৰ নিপুণ হাতৰ পৰশ বিদ্যমান।

মালিনী থানৰ ঐতিহাসিক গুৰুত্ব এই কাৰণেই যে হাবিতলীয়া অনাৰ্য্য অধ্যুষিত অঞ্চলত আৰ্যসংস্কৃতিৰ ধ্বজাবাহী এটা মন্দিৰ অৱস্থিত, যি মন্দিৰৰ পূজা-পৰম্পৰা বেলেগ হ'লেও তাৰ ভগ্নাৱশেষত সৰ্বভাৰতীয় মন্দিৰ ভাস্কৰ্য্যৰ চানেকী আৰু সাদৃশ্য দেখিবলৈ পোৱা যায়। একালত পৰ্বত ভৈয়াম, জাতি-উপজাতি আদিৰ এই মন্দিৰে ঐক্য আৰু সংহতিৰ পৰিৱেশ সৃষ্টি কৰিছিল, উৎসৱ পাৰ্বনৰ যোগেদি মানুহৰ পাৰলৌকিক ধাৰণা পূৰণ কৰাৰ উপৰিও প্ৰচুৰ আনন্দ দিছিল।

# মাঘনোৱা দ'ল

{অসমৰ মন্দিৰ তথা পুৰাতাত্ত্বিক স্থান}

— শ্ৰী প্ৰিয়ানসী সাহা
প্ৰথম ষাণ্মাসিক
ইতিহাস বিভাগ

মাঘনোৱা দ'ল অসমৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ ফুলবাৰী গাঁৱত অৱস্থিত। ইয়াক ফুলবাৰী দ'ল নামেও জনা যায়। পিচলা নৈৰ পূবে মাঘনোৱা বিলৰ পাৰত দ'লটি অৱস্থিত। অসমত ই শক্তিৰ অধিষ্ঠাত্ৰী দেৱী কালীৰ এটুকুৰা মুখ্য পূজন স্থলী আছিল। আহোম ৰাজত্বত কেইবাজনো স্বৰ্গদেৱে এই ঠাই দৰ্শন কৰাৰ প্ৰমাণ পোৱা যায়। মানৰ আক্ৰমণৰ সময়ত দ'লৈ আৰু পূজাৰীসকলে ইয়াৰ পৰা যাওঁতে দ'লৰ মুখ্য প্ৰতিমা (বিগ্ৰহ) ভাগ লুকুৱাই ৰখা হৈছিল কিন্তু ই দ'ললৈ পুনৰ ঘূৰি নাহিল। পিছত কলাবাৰী ঘৰ সাজি প্ৰতিমা ভাগ স্থাপন কৰা হৈছিল। এইয়াই হৈছে বৰ্তমানৰ 'বৰকালিকা থান'।

দ'লৰ বিৱৰণ :- মাঘনোৱা দ'লটোৰ চাৰিওফালে প্ৰায় ৫ ফুট ওখ ইটাৰ বেৰ। দ'লত লাগি থকা নুলনি ঘৰৰ পাৰ প্ৰায় ২২৫ হাত দূৰত ইটাৰ বেৰত লাগি থকা বাট চৰাসহ মন্দিৰ আগ্ৰাস পোমাবলৈ এখন মাত্ৰ দুৱাৰ আছে। ইটাৰ গড়ৰ চাৰিওফালে এটি মাটিৰ গড়। মাটিৰ গড়ৰ ভিতৰৰ কালি প্ৰায় ৩৩/২৫ লেচা। গড়ৰ দক্ষিণ পূব চুকটো মাঘনোৱা বিলত লাগিছে। মাঘনোৱা বিলৰ কালি ৮৭/৭৮ লেচা। দ'লটো আঠকোণীয়া আৰু সন্মুখৰ গাতে লাগি আছে নুলনি ঘৰ। দ'লটো মাটিৰ তললৈ কিমান সোমাই গৈছে জোৱা টান। বৰ্তমান ই ৩০ হাত

মান ওখ হ'ব। ~~আঠকোণীয়া~~ দ'লটোৰ বেৰৰ সাতহাত ওখত এটা কাৰ্ণিচ আছে। আঠকোণীয়া দ'লটোৰ প্ৰত্যেক বাহুৰ বাহিৰ-ফালৰ দীঘ ন হাত। কাৰ্ণিচৰ তলৰ পৰা মাটিত লগা বেৰৰ অংশৰ মাজ ভাগ মৃদাংৰ দৰে পোটুৱা। দ'লটোৰ কাৰ্ণিচৰ তলতে প্ৰত্যেক বেৰত শাৰীত পাঁচ খনকৈ দুশাৰী মূৰ্তি লগোৱা আছিল। বৰ্তমান সিমান মূৰ্তি নাই আৰু দ'লটোৰ কলচীও নাই। দ'লৰ বেৰবিলাক সাতফুট মান ডাঠ হ'ব। মুলনি ঘৰ দীঘে বাৰ হাত, পাশালিয়ে ন হাত আৰু ওখে প্ৰায় আঠ হাত। ইয়াৰ বেৰ প্ৰায় তিনি ফুট ডাঠ। দুয়োফালৰ বেৰত চাৰিওটাকৈ চাকি থোৱা থাকে। বেৰত লগোৱা তিনিখন ভগা আৰু আঠখন ভাল মূৰ্তি ইয়াত সজাই থোৱা আছে।

বুৰঞ্জী :- এই দ'লটো কোনে নিৰ্মাণ কৰিছিল কতো পোৱা নাযায়। ঘৰ আৰু ইটাৰ চাঁচ চাই এই দ'ল আহোম ৰজা সকলেই নিৰ্মাণ কৰিছিল বুলি ক'ব পাৰি। আনন্দ চন্দ্ৰ আগৰৱালাই 'কামৰূপ তীৰ্থৰ বিৱৰণ' প্ৰবন্ধত মাঘনোৱা দ'লৰ পাৰতে বিভাণ্ডক মুনিৰ আশ্ৰম আছে বুলি লিখিছে।

ওৰেদ চাহাবৰ বুৰঞ্জীৰ মতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ (১৭৫২-১৭৬৯)ই পিচলা নৈত স্নান কৰি ফুলবাৰী দেৱালয়ত গোঁসানী সেৱা কৰি ৪,০০০ তিৰোতা আৰু লৰা ছোৱালীক কাপোৰ, টকা আৰু সোণ দান কৰে।

বৰ্তমান :- চৰকাৰ আৰু স্থানীয় ৰাইজৰ অৱহেলাৰ বাবে দ'লটি-ৰ প্ৰায়বোৰ সামগ্ৰীৰ নষ্ট সাধন হৈছে। এতিয়াও প্ৰতি-বছৰে পূজাৰ বাবে বহু ভক্তৰ ইয়ালৈ আগমন ঘটে। কম বেছি পৰিমাণে পৰ্যটকো দেখিবলৈ পোৱা যায়।

—x—

## সোনোৱাল কছাৰীসকলৰ সাজপাৰ আৰু তেওঁলোকৰ আদ্যাভূষণ

সোনোৱাল কছাৰীসকল উজনি অসমৰ এক ভূমিপুত্ৰ জনজাতি। সোনোৱাল কছাৰীসকল তিব্বত-বৰ্মী ভাষাভাষী বড়ো-কছাৰী মূলৰ এটা ঠাল অসমৰ ধেমাজি, লখিমপুৰ, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত বিস্তাৰিতভাৱে বসবাস কৰে। সোনোৱাল কছাৰীসকল মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত তিব্বত-বৰ্মী ভাষাভাষী শাখাৰ অসম-বৰ্মী বড়ো-ডিমাচাৰ অন্তৰ্গত এটা ঠাল।

<u>বস্ত্ৰ আৰু সাজপাৰ</u> :— গাঁৱত থকা সোনোৱালকছাৰী সকলে নানা বৰণীয়া আৰু ধুনীয়া সাজপাৰ পৰিধান কৰে। সম্ভ্ৰান্ত পুৰুষসকলে সাধাৰণতে ধুতী আৰু কামিজ পিন্ধি মূৰত পাগুৰী আৰু কান্ধত চেলেং চাদৰ লয়। সাধাৰণ চহালোকে আঁঠুৰ ওপৰলৈকে চুৰীয়া পিন্ধি গাত হাচতি লয়। সোনোৱাল কছাৰীসকলৰ বয়ন শিল্প এক পৰম্পৰাগত ৰীতি-নীতি। ঘৰতে সূতা লোৱা তাঁতৰ শালত সোনোৱাল কছাৰীসকলৰ তিৰোতাসকল কাপোৰ বোৱাত বৰ পাকৈত। তেওঁলোকে ঘৰতে ৰং লোৱা এড়ীচাঁদৰ, বৰকাপোৰ আদি সম্ভ্ৰম কাপোৰ আৰু ৰং-চঙীয়া ফুল বচা মুগা আৰু পাটৰ চাঁদৰ, মেখেলা, ৰিহা, কপাহি মেখেলা, কপাহী চাঁদৰ, চুৰীয়া, ধুতী, গামুচা, তিয়নি, একাঠীয়া, চেলেং কাপোৰ আদি সোনোৱাল কছাৰী মহিলাসকলে মূৰ ঢাকিবলৈ সদায় টকয়া ব্যৱহাৰ কৰে। গামখাৰু বা খাঁচৰমৰা খাৰু, কেৰু, জাংফাই কেৰু, থুৰিয়া, বিৰী, জোনবিৰি, কংকান, ভুগছুলি, লাইমনি, মাদুলি আদি পৰম্পৰাগত আ-অলংকাৰ সোনোৱাল কছাৰী মহিলাসকলে ব্যৱহাৰ কৰাত ৰুচি দেখুৱায়।

সোনোৱাল কছাৰী পুৰুষসকলৰ জাতিগত প্ৰতীক হাচতিখন

বিশেষত্ব এইটোৱে যে ইয়াৰ বংশোন বৰনীয়া আৰু দুয়োপাৰে মাতজাল, মাতজালটো চৌদ্ধজাল মেৰ্ডজীয়া ৰৰনৰ আঁচুমুটাৰে পাৰি দিয়া। এই চৌদ্ধজাল পাৰিয়ে মোনোৱালসকলৰ চৌদ্ধ বংশৰ সূচায়। পুৰুষসকলে জাতিগত সাজ হিচাপে পাত পাতুং চোলা আৰু ঘৰতে বোৱা কপাহী চুৰীয়া পিন্ধে।

<u>খাদ্যাভ্যাস</u> :- মোনোৱাল কছাৰীসকলৰ খাদ্যাভ্যাসত সিদ্ধ ভাত, তৰকাৰী, মাছ, মাংস আদিয়ে প্ৰধান। মোনোৱাল কছাৰীসকল সাধাৰণতে আমিষ ভোজী। তেওঁলোকৰ খাদ্যাভ্যাসত জনজাতিয় অতুলনীয় সাংস্কৃতিক পৰম্পৰাগত বৈশিষ্ট্যবিদ্যমান। মহিলা আৰু বৃদ্ধ-বৃদ্ধাৰ ক্ষেত্ৰত খাদ্যৰ বাধা অধিক পৰিলক্ষিত হয়। মোনোৱাল কছাৰীসকলে অধিক মচলাযুক্ত আহাৰ পছন্দ নকৰে। মাছ মোনোৱাল কছাৰীসকলৰ অতি প্ৰিয় খাদ্য। তেওঁলোকে নদী-জানজুৰীয়া দ-বিলৰ পৰা মাছ ধৰি আনি বিধে বিধে ব্যঞ্জনৰ আঞ্জা তৈয়াৰ কৰি লয়। মোনোৱাল কছাৰীসকলে হাবিৰ পৰা নানা শাক-পাচলিও সংগ্ৰহ কৰি আনি খাদ্য হিচাপে গ্ৰহণ কৰে। জোহা চাউল, চিৰা, পিঠা, চোৰা দিয়া বৰা ভাত, চাউল-চুঙা, চোঁপোলা ভাত ইত্যাদি জলপান হিচাবে ব্যৱহাৰ কৰে। তেওঁলোকে চাউল আৰু ফলৰ পৰা নানাবিধ পানীয় তৈয়াৰ কৰি লয়। মোনোৱাল কছাৰীসকলে তৈয়াৰ কৰা পানীয় হৰ-মদ, ৰহি মদ আৰু গুৰৰ লালিৰ পৰা তৈয়াৰ কৰা চেৰাপ। তেওঁলোকৰ সমাজত পুৰুষ-নাৰী, ল'ৰা-বুঢ়ালৈ মিলি একেলগে পানীয় গ্ৰহণ কৰাত কোনো বাধা নাই।

— কৰিনা পেগু
পঞ্চম ষাণ্মাসিক
(ইতিহাস বিভাগ)

# বুৰঞ্জীয়ে আমাক কি শিকায়

বুৰঞ্জী শব্দটোৱে আমাক বুজাব দিয়ে যে, বুৰঞ্জী মানেই অতীতৰ ঘটনাৱলীৰ লিপিবদ্ধ ৰূপ। হেমকোষ অভিধানতো কোৱা হৈছে যে, বুৰঞ্জী মানে পুৰণি কথাৰ বৰ্ণনা। পিছে এইবোৰ শব্দগত অৰ্থহে। বুৰঞ্জী আচলতে জ্ঞানৰ ভঁৰাল, ই এক প্ৰকাৰ শিক্ষা, ই বৰ্তমানৰ বাবে পথ প্ৰদৰ্শনৰ আহিলা আৰু বুৰঞ্জী বহু পৰিমাণে প্ৰেৰণাৰ উৎস। কেনেকৈ? এই প্ৰশ্নৰ উত্তৰটো পৰিষ্কাৰ হৈ পৰিবলৈ হ'লে অলপ কোৱাৰ প্ৰয়োজন।

বুৰঞ্জীত অতীতৰ সঁচা ঘটনাবোৰৰ বৰ্ণনা থাকে সঁচা; কিন্তু এই সঁচা ঘটনাবোৰ আমি কেৱল পঢ়িবৰ বাবে নহয়, কেৱল জানিবৰ বাবেই নহয়; বৰং বুৰঞ্জীৰ সঁচা ঘটনাবোৰৰ পৰা আমি আমাৰ বাস্তৱ জীৱনৰ বাবে শিক্ষা গ্ৰহণ কৰা উচিত। বুৰঞ্জীৰ ঘটনাৱলীৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে অতীতৰ একোখন ৰাজ্যৰ কেতিয়াবা উত্থান ঘটে আৰু কেতিয়াবা পতন ঘটে। বুৰঞ্জী পঢ়ি এনে উত্থান-পতনৰ কাহিনীটো জনা শেষ কথা বা বুৰঞ্জী অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য বুলি ভবা উচিত নহয়। বুৰঞ্জীত বৰ্ণিত সঁচা ঘটনাবোৰ আৰু কোনো একোখন ৰাজ্যৰ উত্থান যদি হৈছিল; কি কাৰণত হৈছিল আৰু পতন যদি হৈছিল - তেনেহ'লে কি ভুলৰ বাবে, কাৰ ভুলৰ বাবে পতন ঘটিছিল - সেইবোৰ বিচাৰ বিশ্লেষণ কৰিবলৈ শিকিব লাগে আৰু বুৰঞ্জী পঢ়িবও লাগে এনে দৃষ্টিভংগীৰেহে। এইষাৰ কথা স্পষ্ট হৈ পৰিবলৈ হ'লে দুই এটা উদাহৰণৰ প্ৰয়োজন।

বুৰঞ্জীৰ পৰা শিক্ষা লোৱাৰ কথা যদি আমি ভাবোঁ; তেনেহ'লে ভাৰতৰ বুৰঞ্জী আৰু পৃথিৱীৰ বুৰঞ্জীলৈ নগৈ অসমৰ বুৰঞ্জীৰ পৰাই আমি প্ৰকৃত শিক্ষা আহৰণ কৰিব পাৰোঁ। সুদূৰ ত্ৰয়োদশ শতিকাৰ আগভাগতে মহামতি চুকাফাই অসমভূমিত প্ৰৱেশ কৰি কি কি ভাল কাম কৰিছিল; সেইবোৰ কথা আমি বুৰঞ্জী পঢ়ি জানিছোঁ। কিন্তু বুৰঞ্জীৰ ভাল কথাবোৰ, ভাল আদৰ্শবোৰ চালি জাৰি চাই আপোন যুগৰ আপোন সমাজৰ বা আপোন দেশৰ আৰু জাতিৰ কল্যাণৰ স্বাৰ্থত বাস্তৱত প্ৰয়োগ কৰিবলৈ যত্ন কৰিব লাগে। বুৰঞ্জী পাঠৰ সফলতা সেইখিনিতহে।

বুৰঞ্জীৰ পৰা লব লগা শিক্ষাৰ বিষয়ে বুৰঞ্জীৰ বুকুৰ পৰাই অনেক কথা, অনেক ঘটনা উদাহৰণস্বৰূপে তুলি আনিব পাৰি। কিন্তু বিস্তৃত উদাহৰণলৈ নোযোৱাকৈয়ে আমি এষাৰ কথা নিদি ক'ব পাৰোঁ যে, বুৰঞ্জীৰ ঘটনাবোৰ বস্তুনিষ্ঠভাৱে বিচাৰ বিশ্লেষণ কৰি বাস্তৱ জ্ঞান আহৰণ কৰিব পাৰিলে ব্যক্তিগত জীৱনেই হওক বা সমাজ জীৱনেই হওক অথবা জাতীয় জীৱনতে হওক আমি কিমানও পিছৰি লগা নহয় আৰু আত্মক্ষয়ৰ বিপৰীতে আত্মৰক্ষা আৰু উন্নতি হ'বই। বুৰঞ্জীৰ পৰা সঠিক জ্ঞান আহৰণ কৰিব পাৰিলে বৰ্তমানটো যিহেতু বিপদমুক্ত হয়, সেইদৰে ভৱিষ্যতৰ প্ৰগতিৰ বাটো প্ৰশস্ত হ'ব পাৰে। এইষাৰ কথাৰ সমৰ্থন Garfield বোলা এজনকী চিন্তাবিদৰ এষাৰ কথাৰে আগুলিয়াব পাৰি। চিন্তাবিদ গৰাকীয়ে কৈছিল— "History is but the unrolled scroll of Prophecy."

বুৰঞ্জীৰ পৰা লব লগা শিক্ষা যদি সঠিকভাৱে লব পৰা যায়; তেনেহ'লে ব্যক্তিগত জীৱন, সমাজ জীৱন আৰু জাতীয় জীৱনত আউল নালাগে আৰু জীৱনে এটা সঠিক পথত আগবাঢ়ি গৈ প্ৰগতিৰ শিখৰত উঠিব পাৰে। এনে কাৰণতে বুৰঞ্জী শিক্ষাৰ প্ৰয়োজন।

শ্ৰী চিৰস্মিতা চিহিঙীয়া
পঞ্চম ষাণ্মাসিক
ইতিহাস বিভাগ

# অসমৰ চাহৰ ইতিবৃত্ত

কোনোবাই যেতিয়া চাহৰ কথা পাতে স্বতঃস্ফূৰ্তভাৱে তাত যিখন ঠাইৰ নাম প্ৰথমেই আহে সেয়া হ'ল — অসম। চাহ অসমৰ প্ৰধান কৃষিজাত সম্পদ। অসমত চাহ খেতিৰ ব্যৱসায় আটাইতকৈ পুৰণি আৰু ই এক সুসংগঠিত বিজ্ঞান সন্মত ব্যৱসায়ৰূপে পৰিগণিত হৈ আহিছে। ১৯০০ চনত পৃথিৱীৰ সৰ্বপ্ৰথম আৰু সৰ্ববৃহৎ চাহ গৱেষণা কেন্দ্ৰটো যোৰহাটৰ টোকলাইত স্থাপিত হৈছিল। চাহ অসমৰ বিশেষত্ব।

চীনদেশত ব্যৱহাৰ হোৱা চাহ অসমত ইংৰাজৰ শাসনকালত আৱিষ্কাৰ হৈছিল। চাৰ্লচ আলেকজেণ্ডাৰ ব্ৰুচ যেতিয়া অসমৰ শদিয়া অঞ্চলত সিংফৌ জনজাতি সকলৰ লগত আছিল। তেতিয়াই ব্ৰুচে চাহৰ অৱস্থিতিৰ বিষয়ে গম পাইছিল। সেইসময় আছিল ১৮২৩ চন। তেওঁ সিংফৌসকলে চাহৰ পৰা প্ৰস্তুত কৰা 'ফিনাপ' নামৰ এবিধ পানীয়ৰ সোৱাদ লৈছিল। ফিনাপ নামৰ দ্ৰব্যবিধে চাহাবৰ দেহ-মন শান্ত কৰি তুলিছিল। তাৰ পিছৰ পৰাই ব্ৰিটিছসকলে চাহৰ প্ৰচলন কৰিবলৈ আৰম্ভ কৰিছিল।

ব্ৰিটিছসকলে অসমৰ চাবুৱাত 'চাবুৱা চাহ প্ৰতিষ্ঠান' প্ৰথমটো চাহ উদ্যোগ স্থাপন কৰিছিল। চাহ উদ্যোগত কাম কৰিবৰ বাবে উৰিষ্যা, বিহাৰ, পশ্চিমবংগ আদিৰ পৰা বনুৱা সকলক আনিছিল।

বৰ্তমান অসমত প্ৰায় ১০২০ খন মান চাহৰ বাগিচা আছে। অসমত বছৰি ৪০০ মিলিয়ন কি:গ্ৰা: চাহ উৎপন্ন হয়। প্ৰতি বছৰে ২৫ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰলৈ অসমত অসম চাহ উৎসৱ উদযাপিত কৰা হয়।

শ্ৰী ঋষিকিৰণ শইকীয়া
পঞ্চম ষাণ্মাসিক

# ঐতিহ্যমণ্ডিত ধিন্দি দৌলৰ চমু ইতিহাস

শ্ৰী কৰিষ্মা শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক
ইতিহাস বিভাগ

ধিন্দি দৌল হ'ল অসমৰ বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত ধিন্দিগাঁৱৰ অঞ্চলত অৱস্থিত এটি প্ৰাচীন দৌল। সাম্প্ৰতিক সময়ত দৌলৰ ভগ্নাৱশেষহে উপলব্ধ হোৱাৰ হেতু ই ধিন্দি ভগ্নাৱশেষ হিচাপে স্বীকৃত প্ৰাপ্ত। এই ভগ্নাৱশেষ ভাৰতীয় পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ ৰাষ্ট্ৰীয় গুৰুত্বৰ স্মৃতিচিহ্নৰ তালিকাভুক্ত। তদুপৰি ই ভাৰতীয় পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ অধীনত অসমৰ ৰাজ্যিক সংৰক্ষিত স্মৃতিচিহ্নসমূহৰ ভিতৰত অন্যতম। ধিন্দি ভগ্নাৱশেষক ভাৰতীয় পুৰাতত্ত্ব অনুসন্ধান বিভাগে প্ৰদান কৰা নম্বৰ হ'ল NS-AS-47 আৰু S-AS-91।

ধিন্দি দৌল হাৱাজান-কামদেৱাল-গহপুৰ পথেৰে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সু-সংযোজিত। গহপুৰ নগৰ আৰু কলাবাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দৌলৰ দূৰত্ব ক্ৰমে প্ৰায় ১১ কিলোমিটাৰ আৰু ৮ কিলোমিটাৰ। ভাৰতৰ পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ দ্বাৰা অসমৰ ৰাজ্যিক সংৰক্ষিত স্মৃতিচিহ্ন হিচাপে ঘোষিত বাসুদেৱ দৌল, ধিন্দি দৌলৰ পৰা প্ৰায় ৭ কিলোমিটাৰ দূৰত্বত অৱস্থিত।

ধিন্দি দৌলৰ নিৰ্মাণৰ ইতিহাস আহোম ৰাজত্ব কালৰ। দৰং গেজেটিয়াৰৰ মতে ১৭০৫ চনত আহোম ৰজা ৰুদ্ৰসিংহই ধিন্দি দৌল সজাইছিল। জয়ধ্বজ সিংহ আৰু ৰুদ্ৰ সিংহই দৌলৰ ২৩২ বিঘা ৰাজহবিহীন মাটি দান

কৰিছিল বুলি জনা যায়। দৌলটো এক ওখ বেদীত নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ ভূমিভাগ প্ৰায় ৫ ফুট ডাঠকৈ মাটিৰ ইটাৰে সজা। দৌলটো অষ্টভূজাকৃতিৰ, অৰ্থাৎ দৌলৰ মূল অংশ প্ৰবেশদ্বাৰ সহিতে আঠখন দেৱালেৰে আবৃত্ত। শিৱ উপাসনাৰ স্থলী ধনিদৌলৰ উচ্চতা আদিতে শিৱসাগৰৰ শিৱদৌলৰ প্ৰায় সমান আছিল। মানৰ অসম আক্ৰমণৰ সময়ত দৌলৰ বিগ্ৰহসমূহ হাবাজানৰ দেউৰী গাঁৱৰ সমীপত লুকুৱাই ৰখা হৈছিল।

১৮৯৭ চনত অসমত সংঘটিত প্ৰলয়ংকৰী ভূমিকম্পত দৌলৰ কলচী অংশ ভাঙি পৰে। ইয়াৰ এক ভগ্ন অৱশেষ দৌলৰ স্থানতে এতিয়াও আছে। ধনিদৌলৰ পৰা নিয়া ভগ্নাৱশেষৰ এটুকুৰা শিলেৰে সমীপৱৰ্তী তিমলুৰ চক্ৰেশ্বৰ দেৱালয় নিৰ্মাণ কৰা হৈছিল। এই দেৱালয়তে ধনিদৌলৰ ভগ্ন কলচীৰ একাংশও সংৰক্ষিত হৈ আছে।

১৯৫৮ চনত ধনিদৌলক ৰাষ্ট্ৰীয় সম্পদ হিচাপে ঘোষণা কৰা হৈছিল।

আন এক অ-প্ৰামাণিক জনশ্ৰুতি অনুসৰি এই অঞ্চল দনি নামৰ এক ৰজাৰ উৰ্বশীক লগত লৈ ব্ৰহ্মপুত্ৰ নৈৰ পাৰত ইয়াত পলায়ন কৰি আছিলহি। পিছত ব্ৰহ্মপুত্ৰই সুঁতি সলাই দক্ষিণলৈ গতি কৰাত ৰজা আৰু উৰ্বশী পলাই থকা এই অঞ্চল উত্তৰ পাৰলৈ পৰিৱৰ্তন হয়। শিৱভক্ত দনি ৰজাই সেই অঞ্চলত এটা পুখুৰী খান্দে আৰু শিৱৰ উপাসনাৰ বাবে এটা দৌল নিৰ্মাণ কৰে। এই দৌলৰ নাম দনি দৌল আৰু পুখুৰীৰ নাম দনি পুখুৰী ৰখা হৈছিল। পিছত দনি শব্দটো মুখে বাগৰি ধনি ৰূপ লয়গৈ।

—x—

# গহপুৰ বৰপুখুৰী

—শ্ৰী লিজা বৰা
স্নাতক প্ৰথম ষান্মাসিক
ইতিহাস বিভাগ,

অতীতৰ বুকুত বৰ্তমানৰ জন্ম আৰু বৰ্তমান যিমানেই সুন্দৰ হয়, ভৱিষ্যতো সিমানেই সুদূৰপ্ৰসাৰী হয়। অনেক অতুল্য সম্পদে সোণোৱালী অতীতৰ কোনো এটা সময়ৰ গৌৰৱময় ইতিহাসৰ সাক্ষ্য বহন কৰি আহিছে। অসমৰ বিভিন্ন স্থানত এনেবোৰ সম্পদে আজিও সন্মুখলৈ থিয় দি আছে। ক্ষুদ্ৰ চহৰ গহপুৰ, (জিলা: বিশ্বনাথ) ৰ মাজমজিয়াত থকা বিশালকায় আৰু সৌন্দৰ্যময় পুখুৰীটো ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন।

আহোম যুগৰ পৰা আৰম্ভ কৰি ইংৰাজ সকলৰ শাসনৰ কালছোৱাৰ মাজেৰে আহি এই পুখুৰীটোৱে বৰ্তমানৰ এই ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। গহপুৰৰ ইতিহাসৰ সৰু-বৰ ঘটনাৰ সাক্ষী এই পুখুৰীটো।

বৃটিছসকলৰ দিনৰ বিভিন্ন লেখনিৰ দ্বাৰা এই পুখুৰীটোৰ বিষয়ে খুলমুল আভাস পোৱা যায়। সেইসময়ত বৰ পুখুৰীটোৰ পুবে এখন দাতব্য হস্পিতেল আৰু ডাকঘৰ, উত্তৰে আৰক্ষীথানা, পশ্চিমে বনবিভাগৰ কাৰ্যালয় আৰু দক্ষিণে নৰ্থ ট্ৰাংক ৰোড আছিল বুলি জনা যায়।

সেইসময়ত এই বিশাল বৰপুখুৰীটোৰ চাৰিওকালে বিভিন্ন ধৰণৰ গছ; যেনে— আম, আহঁত আদিয়ে শোভা প্ৰদান কৰিছিল। বৰ্তমান সময়ত সেই গছ-গছনিবোৰৰ পৰিবৰ্তে উদ্যানগত গছ-গছনিৰে পুখুৰীটো আধুনিকীকৰণ কৰিব বিচৰা হৈছে।

প্ৰথম অৱস্থাত উক্ত পুখুৰীটো সম্পূৰ্ণ আয়তাকাৰ আছিল যদিও অন্তৰ দুশকমানত পুখুৰীটোৰ পশ্চিমফালে বোকা আৰু মাটিৰে বেঁটি নিৰ্মাণ কৰি শ্বহীদ কনকলতাৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছিল। উক্ত প্ৰতিমূৰ্তিটো শিল্পী পদুম গোহাঁইৰ দ্বাৰা নিৰ্মিত আছিল।

২000 চনত বৰপুখুৰীটোৰ চাৰিওফালে পকাবেৰ আৰু পানীলৈকে খটখটী নিৰ্মাণ কৰা হয়। ইয়োৰোপৰি পাৰত ফুলনি বাগিচা স্থাপন কৰা হয়। এই কাৰ্য্যই বৰপুখুৰীটোক এক গাম্ভীৰ্যৰূপ প্ৰদান কৰে আৰু ই এক নতুন মাত্ৰা লাভ কৰে। এই সময়ছোৱাতে বৰঙাবাৰীৰ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতীৰ প্ৰতিমূৰ্তি গহপুৰ বৰপুখুৰীৰ পাৰলৈ স্থানান্তৰিত কৰি পুখুৰীটো সৌন্দৰ্যবৰ্দ্ধন কৰে। উক্ত প্ৰতিমূৰ্তি দুয়োটা শিল্পী বেণু মিশ্ৰৰ দ্বাৰা নিৰ্মিত। গহপুৰ বৰপুখুৰীটোত পাৰত স্থাপন কৰা কনকলতা- মুকুন্দ কাকতীৰ প্ৰতিমূৰ্তিয়ে আজিও গহপুৰীয়া বিপ্লৱী সত্তাক গৌৰৱান্বিত দিয়ে।

ৰাজহ বিভাগৰ মতে, গহপুৰ মৌজাৰ নিজ গহপুৰ গাঁৱৰ ১৬৮ নং দাগত থকা বৰপুখুৰীটোৰ মাটিকালি প্ৰায় ৯ বিঘা ১০ লোচা। পুখুৰীটো ~~উত্তৰ~~-উত্তৰ-দক্ষিণাকৈ প্ৰায় ৪৭৫.২ ফুট বহল, পূবে ২৮৩.৮ ফুট আৰু পশ্চিমে ২৬৭.৭ ফুট বহল। গহপুৰ বৰপুখুৰীটোৰ সম্পৰ্কত কোনো বিশেষ বুৰঞ্জী পোৱা নাযায়। এই সুবিশাল আয়তনৰ পুখুৰী কোনো ব্যক্তিগত শক্তিয়ে খন্দোৱাটো সাধ্যৰ অতীত আছিল। সেয়ে ইয়াক কোনোবা ৰাজশক্তিয়ে খন্দোৱা বুলি অনুমান কৰিব পাৰি। বিভিন্ন পুৰণি লোকৰ মুখত এই পুখুৰীটো আৰিমত্ত ৰজাই খন্দোৱা বুলি কিংবদন্তি চলি আহিছে।

আৰিমত্ত ~~ৰজাই~~ ৰজাৰ লগত জড়িত বিভিন্ন ঘটনা পৰিঘটনাৰ প্ৰকৃত স্থানসমূহ আজিও এই গহপুৰ অঞ্চলৰ আশে-পাশে আছে। কিন্তু তেওঁৰেই যে এই পুখুৰীটো নিৰ্মাণ কৰিছিল ইয়াৰ কোনো লিখিত তথ্য বা সাক্ষী পোৱা নাযায়। পুখুৰীটোৰ খননকাল সম্পৰ্কেও ইতিহাস নিমাত।

বৃটিছসকলৰ শাসনকালত গহপুৰ বৰপুখুৰী সিঁচি উলিওৱাৰ কথা ভবা হৈছিল। কিন্তু এই কাৰ্য্য সম্পূৰ্ণৰূপে হৈ নুঠিল। ইয়াৰ পানী সিঁচি শেষ কৰিব নোৱাৰিলে। ইয়াৰ পৰা বোধগম্য হয় যে গহপুৰৰ বৰপুখুৰীৰ নিশ্চয় কোনোবা বিশেষ নদ-নদীৰ সৈতে ভূগৰ্ভ আদিৰে সম্পৰ্ক আছে। গহপুৰ বৰপুখুৰীৰ খনন পদ্ধতি, ধৰণ, কৰণ লৈ চাব কোনো এজনে বৰগোহাঁইৰ নিৰ্দেশত, মোমাই তামুলী বৰবৰুৱাৰ পৰিকল্পনা আৰু ইয়াৰ নিকটৱৰ্তী ধেনুধৰা খেলৰ পাইকৰ দ্বাৰাই এই পুখুৰী খন্দা যেন অনুমান হয়।

বৰপুখুৰীৰ জৰিয়তেই আমি অতীতৰ বহু তথ্যৰ সন্ধান পাবলৈ সক্ষম হৈছে। বৰ্তমান পৰ্যটকক আকৰ্ষণৰ বাবে বৰপুখুৰীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সৰু চহৰ গহপুৰত অৱস্থিত বৰপুখুৰীটো গহপুৰীয়া ৰাইজৰ এটি চিনাকী আৰু ঐতিহ্যমণ্ডিত ঠাই বা পুখুৰী। গহপুৰ অঞ্চলৰ গৌৰৱ এই বৰপুখুৰী।

বৃটিছসকলৰ শাসনকালত গহপুৰ বৰপুখুৰী সিঁচি উলিওৱাৰ কথা ভবা হৈছিল। কিন্তু এই কাৰ্য্য সম্পূৰ্ণৰূপে হৈ নুঠিল। ইয়াৰ পানী সিঁচি শেষ কৰিব নোৱাৰিলে। ইয়াৰ পৰা বোধগম্য হয় যে গহপুৰৰ বৰপুখুৰীৰ নিশ্চয় কোনোবা বিশেষ নদ-নদীৰ সৈতে সুৰুং আদিৰে সম্পৰ্ক আছে। গহপুৰ বৰপুখুৰীৰ খনন পদ্ধতি, ধৰণ, কৰণ লৈ চাই কোনো এজন বৰগোহাঁইৰ নিৰ্দেশত, মোমাই তামুলী বৰবৰুৱাৰ পৰিকল্পনা আৰু ইয়াৰ নিকটৱৰ্তী ধেনুধৰা খেলৰ পাইকৰ দ্বাৰাই এই পুখুৰী খন্দা যেন অনুমান হয়।

বৰপুখুৰীৰ জৰিয়তেই আমি অতীতৰ বহু তথ্যৰ সন্ধান পাবলৈ সক্ষম হৈছে। বৰ্তমান পৰ্যটকৰ আকৰ্ষণৰ বাবে বৰপুখুৰীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সৰু চহৰ গহপুৰত অৱস্থিত বৰপুখুৰীটো গহপুৰীয়া ৰাইজৰ এটি চিনাকী আৰু ঐতিহ্যমণ্ডিত ঠাই বা পুখুৰী। গহপুৰ অঞ্চলৰ গৌৰৱ এই বৰপুখুৰী।

Rahul Kr Basumatary

(16)

# The Revolt of 1857

The revolt of 1857 was the conscious beginning of the Independence struggle against the colonial tyranny of the British. There are various names for the revolt of 1857 - India's first War of Independence, Sepoy Mutiny, etc. The revolt began on May 10, 1857, at Meerut as a sepoy muti-ny. It was initiated by sepoys in the Bengal Presidency against the British officers. This war of Independence marked the end of rule by the British East India company. Post this, India was directly ruled by the British government through representatives known as Governor General.

Immediate Reason of Revolt of 1857 :-

The immediate factor was the introduction of the 'Enfield' rifle. The cartridge had to be bitten off before loading it into the gun. Ind-ian sepoys believed that the cartridge was greased with either pig fat or made from cow fat. This was against the Hindu and Muslim sentiments. Thus they were reluctant to use the 'Enfield' rifle. This was a flashpoint to enrage the soldiers against the British. This was believed to be the immediate factor for

the revolt of 1857.

Causes of Revolt of 1857 :-

i) Religious and Social Causes :- Racism or racial discrimination was believed to be a major reason for the revolt of 1857 wherein Indians were exploited and were kept away from mixing with Europeans. The whites also started interfering in the religious and cultural affairs of Indians and tortured them as well.

ii) Military factors :- The Indian soldiers faced a lot of discrimination from the British officials with respect to their salaries, pensions, promotions. Indians were subjugated in the military while their European counterparts faced no such discrimination. This led to discontent and was a major military factor that resulted in the revolt of 1857

Impact of Revolt of 1857 :-

The revolt of 1857 shook the foundation of British East India Company and disclosed their inefficiency in handling the Indian administration. The major impact was the introduction of the Government of India Act, 1858 which abolished the rule of British East India Company and marked the Beginning of British Raj that bestowed powers in the hands of the British government to rule India directly through representatives.

## অসমৰ চিত্ৰকলা

—শ্ৰী আদিত্য পাটগিৰি

চিত্ৰকলাক মানুহে অন্তৰৰ ভাৱ প্ৰকাশৰ অন্যতম মাধ্যম হিচাপে প্ৰাক্-ঐতিহাসিক যুগৰে পৰা ব্যৱহাৰ কৰি আহিছে। নিজকে সজাই পৰাই তুলিবলৈ দেহৰ বিভিন্ন অংগত বিভিন্ন চিত্ৰ অংকন কৰাৰ পৰা আৰম্ভ কৰি, চিকাৰ নীতি, যুদ্ধশৈলী ইত্যাদি ঘটনাবোৰো আদিম মানুহে গুহাৰ দেৱালত অংকন কৰিছিল। অসমৰ ক্ষেত্ৰতো এই পৰম্পৰাৰ কোনো প্ৰকাৰে পৃথক হোৱা দেখা নাযায়। সপ্তম শতিকাত প্ৰকাৰে পৃথক হোৱা দেখা নাযায়। কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনে কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনলৈ পঠিওৱা উপহাৰৰ লগতে ছবি আঁকা সঁজুলি, ৰং ভৰোৱা পাত্ৰ, আঁচি পতীয়া পুথি প্ৰেৰণে সমসাময়িক সমাজখনত প্ৰচলিত চিত্ৰশিল্পৰ প্ৰতি এক অনুৰাগক প্ৰতিনিধিত্ব কৰে। ছবি আঁকিবৰ বাবে

সাঁচিপাত, তুলাপাত আৰু দেৱালৈ আকোৰ হয়মাৰ ধৰা হৈছিল। ছবি আঁকিবৰ কাৰণে প্ৰয়োজন হোৱা আহিলাসমূহ স্থানীয়ভাৱে পোৱা সমল যেনে- বাঁহৰ পাখি, ছাগলীৰ নেজৰ নোম, কপাহ প্ৰভৃতিৰে তুলিকা সাজি লৈছিল। এনেধৰণৰ প্ৰাথমিক সমলৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা অসমৰ প্ৰাচীনতম চিত্ৰ পুথিখন হ'ল শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'আদি দশম স্কন্ধ ভাগৱত' অৱশ্যে ইয়াৰ মূল কপি অদ্যাপি উদ্ধাৰ হোৱা নাই। বৰপেটাৰ বালিপাৰা সত্ৰত উদ্ধাৰ হোৱা 'চিত্ৰ ভাগৱত' খন পৰৱৰ্তী পৰ্যায়ত পুথিৰ আৰ্হিৰ আধাৰত লিখা হৈছিল বুলি পণ্ডিত গৱেষকসকলে ক'ব খোজে। অসমৰ চিত্ৰশৈলী মূলতঃ তিনি প্ৰকাৰৰ — (ক) সত্ৰীয়া (খ) ৰজাঘৰীয়া (গ) সাধাৰণ জনতাৰ।

শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত হয় বৈষ্ণৱ ধৰ্ম অসমত আৰু অনাজিয় কৰণত স্থাপিত চিত্ৰ, নৃত্য গীত আৰু বাদ্যৰ সমন্বয়ৰ প্ৰচলন ঘটিছিল। অনাসক্তী লোকসকলক মাজত সৰল ভাৱে ভগৱৎ প্ৰাপ্তিৰ পথ দেখুৱাবলৈ শংকৰদেৱে চিত্ৰযাত্ৰা ভাওনাৰ মাধ্যমেদি সাতখন বৈকুণ্ঠৰ চিত্ৰপট আঁকি সকলোৰে সন্মুখত প্ৰদৰ্শন কৰিছিল। শংকৰদেৱে নাটক বুজাবলৈ যিহেতু 'যাত্ৰা' শব্দ ব্যৱহাৰ কৰিছিল সেয়ে 'চিত্ৰযাত্ৰা' মানে হ'ল চিত্ৰ আদি সংযুক্ত নাটক। ইয়াত দুটা বিষয়বস্তু জড়িত — সাতোখন অংকিত বৈকুণ্ঠৰ চিত্ৰ আৰু কৃষ্ণৰ কাহিনীৰ অভিনয় প্ৰদৰ্শন।

শ্ৰীমন্ত শংকৰদেৱৰ প্ৰবৰ্তিত নৱ বৈষ্ণৱ ধৰ্ম প্ৰসাৰ আৰু জনপ্ৰিয়কৰণৰ স্বাৰ্থত চিত্ৰ, নৃত্য গীত আৰু বাদ্যৰ সমান্তৰাল প্ৰচলন ঘটিছিল। অনাসক্তী লোকসকলক মাজত সকল ভাৰত ভাৱৰ শান্তিৰ পথ দেখুৱাবলৈ শংকৰদেৱে চিহ্নযাত্ৰা ভাওনাৰ মাধ্যমেদি সাতখন বৈকুণ্ঠৰ চিত্ৰপট আঁকি সকলোৰে সন্মুখত প্ৰদৰ্শন কৰিছিল। শংকৰদেৱে নাটক বুজাবলৈ যিহেতু 'যাত্ৰা' শব্দ ব্যৱহাৰ কৰিছিল সেয়ে 'চিহ্নযাত্ৰা' মানে হ'ল চিত্ৰ আদি সংযুক্ত নাটক। ইয়াত দুটা বিষয়বস্তু জড়িত - সাতোপাকত অংকিত বৈকুণ্ঠৰ চিত্ৰ আৰু কৃষ্ণৰ কাহিনীৰ অভিনয় প্ৰদৰ্শন।

# শ্ৰী শ্ৰী ফুলেশ্বৰী আইথানৰ চমু আভাস

— শ্ৰীদেৱৰাজ গগৈ
স্নাতক মহলাৰ তৃতীয় ষাণ্মাসিক
ইতিহাস বিভাগ

প্ৰাচীন কালৰে পৰা অসমৰ বিভিন্ন ঠাইত শাক্ত সম্প্ৰদায়ে প্ৰতিষ্ঠা কৰা শক্তিপীঠ সমূহৰ ভিতৰত শ্ৰী শ্ৰী ফুলেশ্বৰী আইথান মন্দিৰ অন্যতম বুলি ক'ব পাৰি। বিশ্বনাথ জিলাৰ গহপুৰ মৌজাৰ চৰাইবাহী গাঁৱৰ এখনি পুখুৰীৰ পাৰত অৱস্থিত। শ্ৰী শ্ৰী ফুলেশ্বৰী আইথান মন্দিৰ অসমৰ এখনি অতিপ্ৰাচীন শক্তিপীঠ। বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ দক্ষিণে ১৫ কিলোমিটাৰ দূৰত আৰু ব্ৰহ্মপুত্ৰ নদীৰ পৰা উত্তৰে ৩০০ মিটাৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ উত্তৰে পাৰত অৱস্থিত ফুলেশ্বৰী আইথান মন্দিৰলৈ ৰাজ্যখনৰ ভিন ভিন ঠাইৰ পৰা তীৰ্থযাত্ৰীৰ আগমন হয়।

বৰ্তমান ফুলেশ্বৰী আইথানৰ উৎপত্তি সম্পৰ্কে বহুতো লোকৰ পৰা বহুতো কথা জানিব পৰা গৈছে। কিন্তু ইয়াৰ উৎপত্তি সম্পৰ্কে পুৰাতত্ত্ব বিভাগে সঠিক সময় নিৰূপণ কৰিব পৰা নাই।

শ্ৰী শ্ৰী ফুলেশ্বৰী আইথানৰ উৎপত্তি সম্পৰ্কে গাঁৱৰ জেষ্ঠ আৰু শিক্ষিত লগতে এই মন্দিৰৰ লগত জড়িত কিছুমান মানুহৰ পৰা জানিব পৰা গৈছে যে আদিতে দেৱাদিদেৱ মহাদেৱে তেওঁৰ পত্নী দুৰ্গাদেৱীৰ মৃত্যুৰ সময়ত দুৰ্গাদেৱীক মহাদেৱে নিজৰ কোলাত লৈ গোটেই পৃথিৱী ঘূৰিছিল তেতিয়া দুৰ্গাদেৱীৰ এখন হাতৰ সৰু আঙুলিটো এই ঠাইত পৰিছিল আৰু তেতিয়াৰ

পৰাই এই মন্দিৰটো খুঁটি হৈছিল বুলি কোৱা হয়।
ইয়াৰ উপৰি জানিব পাৰিছো যে আদিতে বাৰিষাৰ সময়ত উপজা বিল দুটা পানীয়েদি উঠি আহি ইয়াত সোমাইছিল। সেই সময়ত কোনো শাক্তপন্থী ভক্তই পাই সেই ঠাইত অস্থায়ীভাবে মন্দিৰ স্থাপন কৰে। আৰু লাহে লাহে মানুহৰ মনত মন্দিৰৰ ওপৰত বিশ্বাস বঢ়াৰ ফলত গাঁৱৰ মানুহে মন্দিৰটো নিৰ্মাণ কৰে। আৰু এই মন্দিৰটো আমাদেৱৰ পত্নী দুৰ্গা দেৱী বুলি বিশ্বাস কৰি পূজা কৰে।

শ্ৰী শ্ৰী ফুলেশ্বৰী আইস্থান প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা ইয়াত বিভিন্ন ঠাইৰ মানুহে এই প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ আহে।
শ্ৰী শ্ৰী ফুলেশ্বৰী আইস্থানত অতীত কালৰ পৰাই পৰম্পৰাগত ৰীতিৰে সাৰ্বজনীন ভাবে শাৰদীয় দুৰ্গা পূজাৰ অতি উলহ-মালহৰে উদযাপন হৈ আহিছে। দুৰ্গা পূজাৰ উপৰি বিভিন্ন সময়ত পালন কৰা উৎসৱ, পূজা-অৰ্চনা, যাগ-যজ্ঞ আদিৰ যোগেদি সুদূৰ অতীতৰ পৰাই বৈদিক পৰম্পৰা ৰক্ষিত হৈ আহিছে।

এই প্ৰসংগতে উল্লেখনীয় যে বাৰিষাৰ সময়ত ব্ৰহ্মপুত্ৰ নৈৰ পৰা অহা পানীয়ে পুৱা ফুলেশ্বৰী আইস্থানৰ চৌহদত পানীৰে ভুৰ যায়। ফলশ্ৰুতিত ভক্তসকলৰ মাজে সময়ে বিভিন্ন অসুবিধাৰ সন্মুখীন হব লগা হয়। এই দিশত ইতিমধ্যে ব্যক্তিসকলৰ লগতে অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষয়ো মানকতিৰ উন্নতি সাধনৰ লগতে বান প্ৰতিৰোধ ব্যৱস্থাৰে ঐতিহাসিক প্ৰসিদ্ধ থানখনিৰ ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি থান পৰিচালনাৰ সমিতিৰ লগতে ভক্তবৃন্দই আশা প্ৰকাশ কৰিছে

## চৰাইবাৰী ইতিবৃত্ত

শ্ৰী: জ্যোতি পেগু
স্নাতক তৃতীয় সাম্মাসিক

মোৰ জন্ম ভূমি চৰাইবাৰীখন হৈছে শইপুৰ ভিতৰত এক সুদূৰ প্ৰসাৰী আৰু ইতিহাস প্ৰসিদ্ধ বৃহৎ অঞ্চল। সকলো অঞ্চলৰে অতীত থকাৰ দৰে চৰাইবাৰী অঞ্চলটিৰ অতীত বুৰঞ্জী বিচাৰিলে জনপ্ৰবাদ আৰু ঐতিহাসিক তথ্যৰ সংমিশ্ৰণত চুটা তথ্য অতীজৰ পৰা বৰ্তমানলৈকে চলি অহা দেখা যায়। এই ঠাইখন অতীজৰ পৰা প্ৰাকৃতিক সৌন্দৰ্যৰে আগুৰি আছিল। সেই অঞ্চলসমূহত বিভিন্ন-বৰণৰ গছ-গছনি আৰু বিভিন্ন বৰণৰ চৰাই-চিৰিকটি থকাৰ বাবে চৰাইবাৰী নামেৰে নামকৰণ কৰিছিল। এই অঞ্চলসমূহত এটা মন্দিৰ আছে। এই মন্দিৰটোৰ নাম আছিল শ্ৰী শ্ৰী ফুলেশ্বৰী আই থান। এই মন্দিৰটোৰ উৎপত্তি বিষয়ে অধিক

তথ্য পোৱা নাযায়। কিন্তু আমাৰ গাঁওৰ শিক্ষিত ডেকা-বুঢ়াসকলে কৈছে এই মন্দিৰটোৰ উৎপত্তি হৈছিল যেতিয়া ভগৱান মহাদেৱে তেওঁৰ পত্নী সতীৰ মৃত দেহটোক গোটেই পৃথিৱীত তেওঁৰ লগত লৈ ঘূৰিছিল তেতিয়া এই মৃতদেহটোৰ এটা অংগ মানে আঙুলিটো এই চৰাইবাহী নামৰ অঞ্চলটোত পৰিছিল। আৰু তেতিয়াৰ পৰা এই মন্দিৰটো উৎপত্তি হৈছিল বুলি মত প্ৰকাশ কৰিছে। বৰ্তমান এই মন্দিৰটো গড়পুৰ মহকুমাৰ অন্তৰ্গত দক্ষিণ চৰাইবাহী অঞ্চলটোত অৱস্থিত।

ঐতিহ্যমণ্ডিত চৰাইবাহী চাৰিসীমা হৈছে

পূৱে —— লোহিতগ্ৰাম।

পশ্চিমে —— বাঁওনাগ্ৰাম।

উত্তৰে —— ৰজাবাৰী।

দক্ষিণে —— ব্ৰহ্মপুত্ৰ নদী।

অদূৰ ভৱিষ্যতে গড়পুৰৰ লগত চৰাইবাহী ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ লেখা সামৰণি মাৰিলোঁ।

## লক্ষীমপুৰৰ দণ্ডিবিলৰ ইতিবৃত্ত

সুস্মিতা গুপ্ত
তৃতীয় ষাণ্মাসিক

লক্ষীমপুৰ জিলাৰ বিষ্ণুপুৰীয়াৰ অন্তৰ্গত এখন গাওঁ হৈছে দণ্ডিবিল। বিষ্ণুপুৰীয়াৰ পৰা পোনাপটি যোৱা উত্তৰ পথেৰে ৫ কি.মি অতিক্ৰম কৰিলেই দণ্ডিবিল গাঁৱখন পোৱা যায়।

দণ্ডিবিল গাঁৱখনৰ নাম এই গাঁৱত থকা বিলখনৰ পৰা উদ্ভৱ হৈছে। এই বিলখনে ১৫১ বিঘা মাটি আগুৰি আছে। বিলখনৰ চুচৰত কেইবাটাও পুখুৰী আছিল আৰু এই পুখুৰীসমূহ ৰজা আহিমৰ দিনত পানী খাবলৈ খন্দা হৈছিল। বিলখনত এখন সৰু লোহাৰ নাওঁ আছিল আৰু এই নাওঁখন আবেলি সময়ত ওলাইছিল বুলি বিলখনৰ চুচৰত বাস কৰা আদিবাসীসকলে কয়। এই নাওঁখন বিলখনৰ চুচৰত পুখুৰীৰ পাৰত থকা জামু-গছত শিকলিৰে বন্ধা আছিল যদিও এতিয়া নাই। আদিবাসী সকলে নাওঁক দোঙা বুলি কৈছিল অৰ্থাৎ অসমীয়াত ডিঙা। নাওঁখনৰ ভাষাৰে কবলৈ গলে গাওঁখনৰ নাম দোঙাবিল বা ডিঙাবিল হব লাগে যদিও দণ্ডিবিল নামেৰে জনা যায়।

এই বিলখনত কেইবাটাও বিধৰ চৰাই-চিৰিকটি দেখা পাইছিল কিন্তু বানপানীয়ে বিলৰ

পিতানিবোৰ নৈ যোৱা বাবে আজিকালি দেখা পোৱা নাযায়। তাৰোপৰি এই বিলখনত আৰু আগতে অধিকেজি ওজনৰ ঘৰিয়া মাছে পোৱা গৈছিল।

দলিবিল গাওঁখনৰ অলপ আঁতৰত আছে ডিক্রুং নদী। এই নদীখনৰ এটা তাৎপৰ্য আছে। 70 দশকত নাওঁৰেহে বিধানসভা সমষ্টিৰ নিৰ্বাচন শেষ কৰি আমোতে ড° ভূপেন হাজৰিকাই এই গাঁৱৰে ডিক্রুং নদীৰ পাৰলৈ গৈছিল আৰু এই নদীখন নাওঁৰে পাৰ হৈছিল নাওঁৰে পাৰ হওঁতে তেওঁৰ মুখত এটি সুন্দৰ গীতৰ জন্ম হৈছিল সেই গীতটো হ'ল →

"মইনা জান মইনা জান লুইত পাৰ হলো
মইনা জান মইনা জান ডিক্রুং পাৰ হলো।"

এই গাওঁখনত বৃটিছ যুগৰ দুটা বস্তু দেখিবলৈ পোৱা যায় প্ৰথমসমতে গাওঁখনৰ তেতেলীগুৰি নামৰ চেন্টাৰৰ বৰষত বৃটিছ আমোলৰ যুগৰ লোহাৰ দলং এতিয়াও আছে। দ্বিতীয়তে বৃটিছ যুগৰ তেলৰ ড্ৰাম এই গাওঁখনত এতিয়াও উপলব্ধ। এই ড্ৰামখনৰ ওজন প্ৰায় ২ কুইন্টল মান আছে।

শেষত গাওঁখনৰ উজ্বল কামনা কৰি মোৰ কলম সামৰিলো।

## বাকৰি দলনী (আমাৰ গাওঁ)

ভাৰত ভূখণ্ডৰ অসম প্ৰান্তৰ বিশ্বনাথ জিলাৰ কলং-পুৰ মৌজাৰ বাকৰি দলনী গাঁওপঞ্চায়তৰ অন্তৰ্গত বাকৰি দলনী গাওঁখন হৈছে আমাৰ গাওঁ। আমাৰ গাওঁখনৰ উত্তৰে গহপুৰ, দক্ষিণে মহাবাহু ব্ৰহ্মপুত্ৰ, পূবে গলচেপা আৰু পশ্চিমে বৰঙাবাৰী অঞ্চলৰ মধ্য ভাগত অৱস্থিত।

আমাৰ গাঁৱৰ অধিকাংশ লোকেই কৃষি কৰ্মৰ লগত জড়িত। অৱশ্যে বছৰি লুইতৰ বানৰ তাণ্ডৱ হয় যদিও আমাৰ অঞ্চলৰ মানুহসকলে কোনো সমস্যা অনুভৱ নকৰাকৈ নিজৰ গতি অব্যাহত ৰখা পৰিলক্ষিত হৈছে। আমাৰ গাওঁখন বৰ্তমান পিছপৰা বানপীড়িত অঞ্চল যদিও ৰাস্তা-পদুলিৰ লগতে যাতায়তৰ সুচল পৰিৱেশ বিৰাজমান। ইয়াৰ উপৰিও আমাৰ গাঁৱৰ নিচেই কাষত মহাবাহু ব্ৰহ্মপুত্ৰ নদী থকাৰ বাবে প্ৰাকৃতিক পৰিৱেশ অতি মনোমোহা। ব্ৰহ্মপুত্ৰৰ অৱবাহিকা অঞ্চলত কৃষিজীৱি ৰাইজে, সৰিয়হ, মটৰ মাহ, ধান, মাটিমাহ আদিৰ লগতে বিভিন্ন ধৰণৰ শস্যৰ খেতি কৰি পৰিয়ালটি পোহপাল দিছে। আনহাতে উল্লেখযোগ্য যে ইয়াৰে অধিক সংখ্যক পৰিয়ালসমূহে বিভিন্ন শস্যৰ লগতে গৰু, ম'হ, ভেড়া, ছাগলী আদি পোহপালন কৰি উন্নত জীৱন নিৰ্বাহ কৰিছে। ইয়াৰ উপৰিও আমাৰ অঞ্চলত গাই, ম'হৰ গাখীৰ যথেষ্ট পৰিমাণে থকাৰ বাবে দৈ, ঘি, ক্ষীৰ আদি প্ৰচুৰ পৰিমাণে

পোৱা যায়।

বৰ্তমান আমাৰ গাওঁখনত আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থাও যথেষ্ট উন্নত। গাওঁখনৰ প্ৰত্যেক পৰিয়ালতে শিক্ষিত যুৱক-যুৱতী থকাৰ বাবে গাওঁখনৰ পৰিবেশ অনুকুল। ইয়াৰ উপৰিও গাওঁখনত মঠ-মন্দিৰ, নাম-ঘৰ আৰু ৰংগমঞ্চ থকাৰ বাবে শিশুসকলৰ আধ্যাত্মিক তথা মানসিক ও শাৰীৰিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰণী। মন্তব্য যে গাওঁখনত বিজুলী-বাতিৰ সুবিধা থকাৰ বাবে কৃষিজীৱি লোকসকলে বৰো ধানৰ খেতিৰ লগতে অন্যান্য খেতি কৰিবলৈ লোৱা দৃষ্টিগোচৰ হৈছে।

আমাৰ গাওঁখনৰ মানুহবোৰ সহজ-সৰল। উল্লেখযোগ্য যে গাওঁখনৰ অধিকাংশই নিজে উৎপাদন কৰা অৰ্থাৎ জৈৱিক সাৰ প্ৰয়োগ কৰি উৎপাদিত শস্যবোৰ খাই জীৱিকা নিৰ্বাহ কৰি আছে। লগতে আমাৰ গাঁৱত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীত উটি অহা মাছবোৰ যথেষ্ট পৰিমানে পোৱা যায় কাৰণে বেজাৰ-আজাৰ কিছু কম হোৱা যেন অনুভৱ হয়। ইয়াৰোপৰি বাৰিষাত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে লৈ অহা পলস মাটিৰ খেতি-বাতি যথেষ্ট উন্নত হয়। আনহাতে আমাৰ গাঁৱত নিজে উৎপাদিত সৰিয়হৰ তেল ব্যৱহাৰ কৰা দেখা যায়।

অতি আনন্দৰ বিষয় যে বছৰি জানুৱাৰী মাহত আমাৰ গাঁৱৰ নিচেই কাষত অৱস্থিত মিনু ঘাটৰ উন্নত প্ৰাকৃতিক দৃশ্য মনোমোহা হোৱাৰ বাবে বিশেষকৈ এইবাৰ ২০২১ বৰ্ষত গুৱাহাটী,

ডিব্ৰুগড়, ধেমাজী আৰু যোৰহাটৰ লগতে অসমৰ বহুতো উন্নত চহৰৰ পৰা বনভোজ খাবলৈ অহা পৰিলক্ষিত হৈছে। আমি তাৰ বাবে গৌৰৱ অনুভৱ কৰো।

অৱশেষত গাঁওখনৰ উন্নত পৰিবেশ সাৰ্য্যমানে সকলোৰে বাবে গাঁৱৰ এজন সচেতন যুৱক হিচাপে মই গৌৰৱবোধ কৰিছো। ভৱিষ্যতলৈ যাতে গাঁওখনৰ সৰ্বতোপ্ৰকাৰৰ সৰ্বাংগীন উন্নতি হয়। তাৰেই কামনাৰে ............।

Sri Kharananda Mishra
B.A 3rd Semester
History Department

# ROLE OF WOMEN IN THE MISING SOCIETY

Sayanika Doley
B.A 1st semester

The Misings are the second largest tribal group in Assam, only next to the Bodos with a population of 6,80,424 individuals. A word for the position of the Mishings womenfolk in the society is necessary to clear away certain misgivings. They are Patriarchal and Patrilocal society. Though their women were in the past debarred from attending 'kebang' and certain ritual functions like- 'Dobaruii, they are treated with kind regards like a delicate but valuable company ~~des~~ deserving love and Protection. In fact, the Mishings women are quite sturdy and labourious. Rowing a boat along the subansiri river or swimming across a stream they live by, are the favourite pastimes of the girls. Dancing and weaving are in their blood and they start playing with toy-looms while they are still a toddler and maintains initiative throughout their ~~b~~ lives. Inspite of their busy Programme around the year, the Mishing women snatch a few moments for spinning and weaving ~~co~~ colourful constumes for themselves as well as for their men-folk while training up their ~~your~~ young

daughters. They combine a delicate sensitivity with
an taste for design and colour. When the dinner is over,
the elderly women devote most of their time in ginning
cotton with 'korel' and spinning them for 'gadu (Miri
Jim). Weaving a 'gadu' from cotton collected from
their own farm 'Pagrig' was a special enterprise
of their women. It is a long and labourious process
and only elderly married ones take up the programme.
It was a pious hope of every mother to provide a
'gadu' to all the children when they get married.
The exclusive divisions of a Mishing house into
'Rising and 'koktok' meant for men and women
respectively is also sometimes mistaken for a sign
of degradation of their women. But it has much
deeper meaning than it meets the eyes. The 'Rising
on the north-eastern side of the house is reserved
for men while western side is generally meant
for women though women having social position
are also allowed to occupy a place in the 'Rising'.
This arrangement is designed to maintain a social
discipline and part of their moral codes of 'do's
and 'don'ts'. The daughter-in-law are not allowed
to tread over the 'rising' when the father-in-
law are alive.

# মহৰ্ষি সুশ্ৰুত : চিকিৎসা বিজ্ঞানৰ আদি পুৰুষ

– শ্ৰীদেৱ বৰান
পঞ্চম ষাণ্মাসিক

ভাৰতীয় সভ্যতা বিশ্বৰ এক অন্যতম প্ৰাচীন সভ্যতা। হৰপ্পা আৰু মহেঞ্জোদাৰোৰ ধ্বংসাৱশেষে ভাৰতৰ গৌৰবোজ্জ্বল অতীতক বৰ্ণনা কৰে। প্ৰাচীন কালত ভাৰতে বিভিন্ন বিষয়ত উচ্চস্তৰীয় বিকাশ লাভ কৰিছিল। তেনে এক বিষয় আছিল চিকিৎসা বিজ্ঞান। চিকিৎসা বিজ্ঞানক যদিও পাশ্চাত্যৰ অৱদান হিচাপে গণ্য কৰা হয় কিন্তু ইয়াৰ শিপা বিচাৰি পোৱা যায় ভাৰতৰ বৈদিক যুগত।

যীশুখ্ৰীষ্ট জন্মৰ প্ৰায় 600 বছৰ পূৰ্বে মহৰ্ষি সুশ্ৰুতে গংগা নদীৰ পাৰৰ দেৱ নগৰী হিচাপে খ্যাত কাশী (বৰ্তমান বাৰানসী)ত বৰ্তমানৰ দৰে উচ্চস্তৰীয় চিকিৎসা পদ্ধতি প্ৰয়োগ কৰাৰ তথ্য পোৱা যায়। মহৰ্ষি সুশ্ৰুতে বৈদিক যুগতে শল্য চিকিৎসা (Surgery) পদ্ধতিৰ প্ৰয়োগ কৰিছিল যাৰ বাবে তেওঁক *Father of Surgery* বুলি জনা যায়।

মহৰ্ষি সুশ্ৰুতে অংগক্ষত লোকসকলৰ অংগ যেনে নাক, কাণ আদিও পুনৰ সংযোগ কৰিছিল যি পদ্ধতিক আধুনিক বিজ্ঞানৰ অভিধানত *Plastic Surgery* বুলি জনা যায়। সেয়ে তেওঁক Plastic Surgery ৰ প্ৰণেতা বুলিও আখ্যা দিয়া হয়।

মহৰ্ষি সুশ্ৰুত আছিল আয়ুৰ্বেদৰ প্ৰধান গ্ৰন্থ সুশ্ৰুত সংহিতাৰ ৰচক। 184 টা অধ্যায়যুক্ত এই গ্ৰন্থখনত মহৰ্ষি সুশ্ৰুতে 1120 প্ৰকাৰৰ ৰোগ, 700 প্ৰকাৰৰ ঔষধিযুক্ত উদ্ভিদ, শল্য চিকিৎসাৰ পদ্ধতি আৰু ইয়াৰ বাবে প্ৰয়োজনীয়

# মহৰ্ষি সুশ্ৰুত : চিকিৎসা বিজ্ঞানৰ আদি পুৰুষ

- শ্ৰীদেৱ বৰুৱা
পঞ্চম ষাণ্মাসিক

ভাৰতীয় সভ্যতা বিশ্বৰ এক অন্যতম প্ৰাচীন সভ্যতা। হৰপ্পা আৰু মহেঞ্জোদাৰোৰ ধ্বংসাৱশেষে ভাৰতৰ গৌৰবোজ্জ্বল অতীতক বৰ্ণনা কৰে। প্ৰাচীন কালত ভাৰতে বিভিন্ন বিষয়ত উচ্চস্তৰীয় বিকাশ লাভ কৰিছিল। তেনে এক বিষয় আছিল চিকিৎসা বিজ্ঞান। চিকিৎসা বিজ্ঞানক যদিও পাশ্চাত্যৰ অৱদান হিচাপে গণ্য কৰা হয় কিন্তু ইয়াৰ শিপা বিচাৰি পোৱা যায় ভাৰতৰ বৈদিক যুগত।

যীশুখ্ৰীষ্ট জন্মৰ প্ৰায় 600 বছৰ পূৰ্বে মহৰ্ষি সুশ্ৰুতে গংগা নদীৰ পাৰৰ দৈব নগৰী হিচাপে খ্যাত কাশী (বৰ্তমান বাৰাণসী)ত বৰ্তমানৰ দৰে উচ্চস্তৰীয় চিকিৎসা পদ্ধতি প্ৰয়োগ কৰাৰ তথ্য পোৱা যায়। মহৰ্ষি সুশ্ৰুতে বৈদিক যুগতে শল্য চিকিৎসা (Surgery) পদ্ধতিৰ প্ৰয়োগ কৰিছিল যাৰ বাবে তেওঁক Father of Surgery বুলি জনা যায়।

মহৰ্ষি সুশ্ৰুতে অংগহানিত লোকসকলৰ অংগ যেনে নাক, কাণ আদিও পুনৰ সংযোগ কৰিছিল যি পদ্ধতিক আধুনিক বিজ্ঞানৰ পৰিভাষাত Plastic Surgery বুলি জনা যায়। সেয়ে তেওঁক Plastic Surgery ৰ প্ৰণেতা বুলিও আখ্যা দিয়া হয়।

মহৰ্ষি সুশ্ৰুত আছিল আয়ুৰ্বেদৰ প্ৰধান গ্ৰন্থ সুশ্ৰুত সংহিতাৰ ৰচক। 184 টা অধ্যায়যুক্ত এই গ্ৰন্থখনত মহৰ্ষি সুশ্ৰুতে 1120 প্ৰকাৰৰ ৰোগ, 700 প্ৰকাৰৰ ঔষধিযুক্ত উদ্ভিদ, শল্য চিকিৎসাৰ পদ্ধতি আৰু ইয়াৰ বাবে প্ৰয়োজনীয়

প্ৰায় 125 প্ৰকাৰৰ অস্ত্ৰোপচাৰ সম্পৰ্কে বিস্তৃত ভাৱে বৰ্ণনা কৰিছে।

মহৰ্ষি সুশ্ৰুতৰ অৱদানৰ প্ৰতি সন্মান জনাই অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ চহৰত স্থিত Royal Australia College of Surgeon's ত তেওঁৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে।

# Bhagat Singh

Pinku Pegu
Roll No-1

Bhagat Singh was a young Indian revolutionary who is known as 'Shaheed Bhagat Singh'. He is considered to be one of the most influential revolutionaries of the Indian Independence movement. Sardar Bhagat Singh is the most prominent name in the Amar shahidas. His slogan of 'Inquilab Zindabad' made a great impact on the youth during the freedom movement.

Bhagat Singh was born on September 20, 1907 in a linguist Sikh family of Banga Village (now in Pakistan) in District of Leelpur Punjab. His father name was Sardaar Kishan Singh and mother name was Vidyavati kaur. His grandfather Arjan Singh, father Kishan Singh and uncle Ajit Singh were all active in the freedom struggle. While studying at the local D.A.V school in Lahore, in 1916, young Bhagat Singh came into contact with some well known political leaders like Lala Lajpat Rai and Ras Bihari Bose. A turning point took place in his life when Lala Lajpat Rai died while leading a procession towards the Lahore station where Lala Ji got serious injury in a Lathi charge and hospitalized and after few week Lala Ji become Shaheed. This incident left Bhagat Singh enraged and therefore he planned to take revenge of Lala Ji's death. Hence, he killed British police officer John P. Saunders soon after. Later he and his associates bombed the Central

Legislative Assembly in Delhi. Police arrested them and during the trial period they led a hunger strike in the prison. And on 23rd March 1931, Bhagat Singh, Rajguru and Sukhdev were executed.

Bhagat Singh was indeed a true patriot. His death brought high patriotic emotions throughout the country. We still remember him as Shaheed-e-Azam (King of Martyrs).

# সময়

বৰ্তমান সময়ত প্ৰায় সকলো মানুহৰে মুখত এষাৰ কথা শুনা যায়, "মোৰ সময় নাই, আজি মই কোনোপধ্যেই সময় দিব নোৱাৰো, মই আজি খুব ব্যস্ত।" আনকি ছাত্ৰ-ছাত্ৰী সকলেও পৰীক্ষাৰ সময়ত ওখামতে বিত্তান্ত নহলেও বা বিত্তান্ত বেয়া হ'লেও পঢ়িবলৈ সময় নোপোৱা কথাষাৰ কোৱা দেখা যায়। মানুহে ওখামতে কাম নোহোৱাৰ পাছতো বা আশানুৰূপ ফল নোপোৱাৰ পাছতো শেষত সকলোৱে এটাই অভিযোগ। এনে অভিযোগ যেতিয়াবা আনৰ ওপৰত কেতিয়াবা নিজৰ ওপৰত। কিন্তু আমি প্ৰত্যেকেই যদি সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকো তেতিয়াহলে নিশ্চয় আমি উক্ত অভিযোগবোৰ কৰিবলগীয়া পৰিস্থিতি এটাৰ সৃষ্টি নহ'ব।

সময় গতিশীল। সময়ক নৈৰ সোঁতৰ লগত তুলনা কৰা হয়। নদীৰ সোঁতক যেনেদৰে ধৰি ৰাখিব নোৱাৰি তেনেদৰে পাৰ হৈ যোৱা মুহূৰ্তবোৰো আমাৰ জীৱনলৈ কেতিয়াও ওভতি নাহে। সেয়েহে আমি কেতিয়াও সময়ৰ অপব্যৱহাৰ কৰিব নালাগে। সময়ৰ অপচয় মানেই জীৱনৰ অপচয়। প্ৰত্যেক মানুহেই নিজৰ আজৰি সময়খিনি আমোদ-প্ৰমোদত অপচয় নকৰি নিজৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনত ব্ৰতী হ'ব লাগে। প্ৰখ্যাত বিজ্ঞানী পিটাৰ ড্ৰাকাৰৰ মতে, "সময় হৈছে মানুহৰ আটাইতকৈ আপুৰুগীয়া সম্পদ। যি ইয়াৰ সঠিকভাৱে প্ৰয়োগ কৰিব নোৱাৰে তেওঁ পৃথিৱীৰ কোনো কামেই সঠিকভাৱে কৰিব নোৱাৰে।"

সফলতা-বিফলতা মানৱ জীৱনত এটা মুদ্ৰাৰ এপিঠি-সিপিঠি। সেয়েহে সকলো মানুহেই জীৱনৰ এটা বিশেষ লক্ষ্য সন্মুখত ৰাখি নিয়মত পৰিশ্ৰম কৰিব লাগে। তেতিয়াহে জীৱনৰ লক্ষ্যত উপনীত হ'ব পাৰিব। দেখা যায় বহুত মানুহে এটা সময়তে কেইবাটাও কাম হাতত লৈ হাতত লৈ পাছত কোনোটো কামেই সম্পূৰ্ণ নোহোৱা পৰিস্থিতি এটাৰ সৃষ্টি হয়। ফলত সময়ৰ অপব্যয়ৰ লগতে কামৰ ভাৰ বহন কৰিব নোৱাৰা পৰিস্থিতি এটাৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতো দেখা যায় পৰীক্ষা ওচৰ চাপি অহাৰ লগে লগে উত্তেজনাবো সময়ৰ নাটনি হয়। আমি যি কামেই কৰো সকলোবিলাক কামতে এখন সময় তালিকা মতে কৰা উচিত।

তেনেহে তালিকা প্ৰস্তুত কৰি সেই ৰুটিনমতে পঢ়াত মনোনিৱেশ কৰে তেন্তে তেওঁলোক উপকৃত যথেষ্ট হ'ব পাৰিব। বহুত মানুহৰে কাম পাচলৈ পেলাই থোৱাৰ স্বভাৱ এটা আছে। অন্যান্য বহুত মানুহে এলাহৰ বশৱৰ্তী হৈ আজিৰ কাম কাইলৈ কৰিম বুলি থয়। কিছুমান মানুহে আকৌ নিজৰ প্ৰয়োজনীয় নথি-পত্ৰ সমূহ শৃংখলাবদ্ধ ভাৱে নোথোৱাৰ ফলত সেইসমূহ বিচৰাৰ নামত বহুত সময় অপচয় কৰে। আজি এনেকৈয়ে আমি আমাৰ জীৱনৰ মূল্যবান সময়বিলাক হেৰুৱাই গৈ আছোঁ। বৰ্তমান যুগত আমি সকলোৱে সময়ৰ মূল্য অনুধাৱন কৰিবলৈ চেষ্টা কৰা উচিত। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱেও তেওঁৰ কালজয়ী গীত-

১) 'কাণ্ডুৱা বন মোৰ অশান্ত মন
প্ৰতি অতি ক্ষণ যেন মুকুতাৰে বন
এনেয়ে হেৰুৱালে নাহে উভতি,
আৰু (২) সময়ৰ অপপতি,
পক্ষীৰাজত উঠি........
যতে মই চুৰ দিগন্তলৈ, হাঁহি মুখে.....

এই গীত কেইটিত সময় যে অমূল্য ধন সেই কথা স্পষ্টভাৱে উল্লেখ কৰিছে। শেষত সময়ত সময়ৰ সদ্‌ ব্যৱহাৰ কৰাটো সকলো মানুহৰে এটা প্ৰধান লক্ষ্য হোৱা উচিত। আজিৰ মানুহে তেওঁৰ আজৰি সময়খিনি সৎ কামত প্ৰয়োগ কৰিলেহে আমাৰ সভ্যতা সংস্কৃতিৰ ভৱিষ্যৎ সুন্দৰ হ'ব। কিন্তু এক গতানুগতিক আৰু স্বভাৱজাত প্ৰবৃত্তিয়ে সকলোকে যেন কবলৈ বাধ্য কৰিছে, "মোৰ সময় নাই, মই খুব ব্যস্ত।"

হীৰা বৰুৱা
(ইতিহাস বিভাগ)
* দুয়াৰাৰ কলেজ *
ৰোল নং -(৫৪)


JUNIORS
SHOT ON POCO X3